


গুৱাহাটী আৰু নগাঁৱৰ পৰা প্ৰতি শুকুৰবাৰে প্ৰকাশিত সাপ্তাহিক

সামাজিক প্ৰয়োজন পূৰণৰ প্ৰতিশ্ৰুতিৰে

R.N.I. Regn. No. ASSASS/2013/54226

# অসম প্ৰবাহ

শুকুৰবাৰ ● ৩১ অক্টোবৰ ২০২৫/১৩ কাতি ১৯৪৩ শক ● দাম ৫.০০ টকা ● চতুৰ্দশ বছৰ
● সংখ্যা - ২৮ ● Vol - 14, Issue - 28

## বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীৰ উপস্থিতিত বিটিআৰত জনকল্যাণমুখী আঁচনিসমূহৰ ৰূপায়ণৰ অগ্ৰগতি সন্দৰ্ভত বৈঠক মুখ্যমন্ত্ৰীৰ

**দিছপুৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰী আৰু পৰিষদৰ অন্যান্য কাৰ্যবাহী সদস্যসকলৰ উপস্থিতিত লোকসেৱা ভৱনৰ সভাকক্ষত বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়া আৰু বিটিআৰৰ অন্তৰ্গত পাঁচখন জিলাৰ জিলা আয়ুক্তসকলৰ সৈতে অঞ্চলটোত জনকল্যাণমুখী আঁচনিসমূহৰ ৰূপায়ণৰ অগ্ৰগতি সন্দৰ্ভত এখন বৈঠকত মিলিত হয়। এই বৈঠকত কেন্দ্ৰীয় আৰু অসম চৰকাৰৰ দ্বাৰা বিশেষ আঁচনিৰ অধীনত ৰূপায়ণ কৰা প্ৰকল্পসমূহৰ অগ্ৰগতি, অৰুণোদয় ৩.০, মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান, মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান ৰূপায়ণ, অসম মালা, অসম দৰ্শন, প্ৰধানমন্ত্ৰী আৱাস যোজনা আৰু এম জি এনৰেগা আঁচনি ৰূপায়ণৰ অগ্ৰগতি আদিকে ধৰি বিষয়সমূহ বিস্তৃতভাৱে আলোচনা কৰা হয়। বৈঠকৰ আৰম্ভণিতে বিটিআৰৰ পাঁচখন জিলাত এই আঁচনিসমূহ ৰূপায়ণৰ কি পৰ্যায়ত আছে সেই সন্দৰ্ভত এক পাৱাৰ পইণ্ট প্ৰেজেণ্টেশ্যন আগবঢ়োৱা হয়। বিটিআৰৰ দুখীয়া আৰু দৰিদ্ৰ লোকসকলে যাতে যথাসম্ভৱ শীঘ্ৰে অৰুণোদয় আঁচনিৰ সুবিধা লাভ কৰিবলৈ সক্ষম হয় সেই দিশত বৈঠকত মুখ্যমন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে বিটিআৰত নতুনকৈ ৫০ হাজাৰ নতুন অৰুণোদয় হিতাধিকাৰী অন্তৰ্ভুক্ত কৰিব পৰা যাব আৰু পৰিষদে এই নতুন হিতাধিকাৰীসকলৰ জিলাভিত্তিক আৱণ্টন চূড়ান্ত কৰিব। অৰুণোদয় ৩.০ আঁচনিখন যাতে নৱেম্বৰ মাহতে বিটিআৰত ৰূপায়ণ কৰিব পৰা




যায় সেই দিশত দ্ৰুত গতিত কাম-কাজ আগবঢ়াবলৈ মুখ্যমন্ত্ৰীয়ে সংশ্লিষ্ট জিলা পাঁচখনৰ জিলা আয়ুক্তসকলক নিৰ্দেশ প্ৰদান কৰে।

তেনেদৰে বৈঠকত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান, মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ বাবে বিটিআৰত ১০ পৃষ্ঠাত


## ‘মায়াবিনী ৰাতিৰ বুকুত’ গীতটোৱেই হ’ব অসমীয়া জাতিক বান্ধি ৰাখিব পৰা অন্যতম ডোল ঃ প্ৰধান সম্পাদক দেৱজিৎ বৰা



**ৰমেন ভৰালী, বংশৰ ঃ** ‘মায়াবিনী ৰাতিৰ বুকুত’ গীতটোৱেই হ’ব অসমীয়া জাতিক বান্ধি ৰাখিব পৰা অন্যতম ডোল। জুবিন গাৰ্গৰ অনুপম সৃষ্টি এই গীতটোৱে অসমীয়া জাতিৰ ইতিহাসত সকলো অভিলেখ ভংগ কৰিছে। শ্মশানস্থলীত এই গীত পৰিৱেশন কৰা হৈছে, লাখ লাখ জনতাই মুক্তস্বৰেৰে পৰিৱেশন কৰি বৃহত্তৰ অসমীয়া জাতিৰ পৰিচয় দিছে। অসম সাহিত্য সভাৰ অন্তৰ্গত পশ্চিম গোলাঘাট শাখা সাহিত্য সভাৰ উদ্যোগত সদৌ অসম পুথি প্ৰকাশন আৰু বিক্ৰেতা সংস্থা, নুমলীগড় শোধনাগাৰ, বিভিন্ন দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠান,ৰাইজৰ সহযোগত গোলাঘাট নগৰৰ সমন্বয় ক্ষেত্ৰত আয়োজিত গোলাঘাট গ্ৰন্থমেলা আৰু সাহিত্য সমাৰোহৰ যোৱা ২৬ অক্টোবৰত দিনজোৰা বিস্তৃত কাৰ্যসূচীৰে আয়োজিত ‘শিশু দিন’ শুভ উদ্বোধন কৰি অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই এইদৰে কয়। প্ৰাণৰ শিল্পী জুবিন গাৰ্গ সোঁৱৰণী মঞ্চত অনুষ্ঠিত হোৱা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ভাষণ প্ৰসংগত বৰাই লগতে কয় যে শিশুসকলক নিজৰ বাসগৃহৰ পৰা সামাজিক স্থানলৈ অভিভাৱকসকলেহে লৈ আনিব পাৰিব, তেতিয়াহে ১০ পৃষ্ঠাত

## হিয়াৰ আমঠু হাৰ্টথ্ৰবৰ মহাপ্ৰয়াণ

■ নমিতা দাস
শুৱালকুছি, শান্তিতোল



অসমীয়াৰ হাৰ্টথ্ৰব জন নাই, কথাটো ভাবিবলৈ বৰ কষ্ট হৈছে। কি লিখিম আঙুলি বুলাব মন নোহোৱা হৈছে। তেওঁক লগ পোৱাৰ চচক্ষু প্ৰত্যক্ষ কৰা সেই দিনটোৰ কথা বাৰে বাৰে মনলৈ আহিছে।

এক সোণোৱালী সময় আছিল তেতিয়া ১৯৭২ চনৰ ১৮ নৱেম্বৰ তেতিয়াই পৃথিৱীলৈ নামি আহিল ঈশ্বৰৰ অংশ এটি। প্ৰসিদ্ধ সংগীত শিল্পী, পৰিচালক গীতিকাৰ, সুৰকাৰ অভিনেতা আৰু বহুতে হয়তো নাজানে তেওঁৰ সুন্দৰ কবিতাৰ মৌ প্ৰাণ কৰিবলৈ হয়তো বহুতে সুযোগ বা সুবিধা পোৱা নাই। এগৰাকী সুকবিও আছিল আমাৰ মহান শিল্পী জুবিন গাৰ্গ। স্পষ্টতা নিৰ্ভীক উদাৰতা আছিল তেওঁৰ অন্য এক অলংকাৰ। জনসাধাৰণৰ দুখত দুখী সুখত সুখী লোভ-মোহ ত্যাগী কেৱল মাত্ৰ আনক বিলাই যোৱাটোৱে তেওঁৰ ধৰ্ম, ভগৱান বিশ্বাস নকৰি জাত-পাত উচ্চ-নীচৰ ভেদা-ভেদ পৰি-হৰি বিলাই গৈছিল মাথোঁ একতাৰ শ্ল’গান। সেই মহান শিল্পী গৰাকীৰ মহাপ্ৰয়ান হ’ল সুদূৰ চিঙ্গাপুৰত কথাটো মানিবলৈ অসহনীয়। সেই সময়ত কেতিয়াও নোহোৱা নোপোজা ঘটনাৰ অবতাৰণা হৈছিল প্ৰতিটো পৰিয়ালৰ এজন আপোন মানুহ যেন হেৰাই গৈছিল। শোকত ম্ৰিয়মান ৰাজ্যবাসী। কোনো বন্ধ ঘোষণা নকৰাকৈয়ে সকলো স্থবিৰ হৈ ৰৈছিল। ৰাজপথলৈ ওলাই আহিছিল বহু সমদল তেখেতৰ আলোকচিত্ৰখনকে লৈ মায়াবিনী মাথোঁ মায়াবিনী গাই ১০ পৃষ্ঠাত

## কদম শাখা সাহিত্য সভাৰ উদ্যোগত ড° বসন্ত কুমাৰ গোস্বামীৰে অন্তৰংগ আলাপ

**কদমৰ পৰা বিতোপন গগৈ ঃ** অসম সাহিত্য সভাৰ অন্যতম সক্ৰিয় লক্ষীমপুৰ জিলা সাহিত্য সভাৰ অন্তৰ্গত শতদল মৰ্যাদাপ্ৰাপ্ত কদম শাখা সাহিত্য সভাৰ উদ্যোগত যোৱা ২৬ অক্টোবৰত আয়োজন কৰে সাহিত্য সুবাস আৰু অন্তৰংগ আলাপ অনুষ্ঠান। এক ব্যতিক্ৰম চিন্তাৰে ভৰত ৰাজখোৱাৰ বিশেষ তৎপৰতাত হোৱা ভিন্ন কাৰ্যক্ৰমৰ ৰূপায়ণ হয়। পুৱা জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি আৰু ১০ পৃষ্ঠাত



# এগৰাকী সমাজহিতৈষী হিচাপে পৰিচিত সুজিত সোম

## চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানৰ বহু সম্বৰ্ধনা, বঁটাৰে বিভূষিত

**মুকুল গোস্বামী, লংকা ঃ** এখন সমাজ হৈছে মানুহৰ জীৱনৰ প্ৰধান ভৰসা। মানুহ সমাজ বিহীন হৈ একেবাৰে বাচি থাকিব নোৱাৰে। কিন্তু সকলোৱে সমাজৰ বাবে একে ধৰণেৰে চিন্তা কৰিব নোৱাৰে। কিছুমান মানুহে সমাজৰ দুখ-দুৰ্দশা, অভাৱ-অভিযোগ, সুখ-আনন্দ ভাগ-বতৰা কৰি লৈ সমাজক আগবঢ়াই লৈ যায়। তেনে এজন সমাজৰ প্ৰিয় সু-পৰিচিত সমাজকৰ্মী হৈছে সুজিত সোম- যাক সকলোৱে মুখে-মুখে 'সমাজবন্ধু' বুলি সম্বোধন কৰা পৰিলক্ষিত। সুজিত সোমৰ জন্ম হৈছে নগাঁও জিলাৰ লংকাৰ ১নং পিপল পুখুৰী গাঁৱত। এক সাধাৰণ মধ্যবিত্ত পৰিয়ালত জন্ম গ্ৰহণ কৰিছিল সুজিত সোমে। পৰিয়ালটো অৰ্থনৈতিক দিশে সাধাৰণ হ'লেও সততা, আদৰ্শ আৰু সামাজিক মূল্যবোধেৰে পৰিপূৰ্ণ আছিল। শৈশৱৰ পৰাই সুজিত সোমে দুখীয়া-অসহায় লোকৰ কথা শুনি সহানুভূতি প্ৰকাশ কৰিছিল। বিদ্যালয়ত থাকোতে সহপাঠী কিমান কষ্টত আছে, কোনো ছাত্ৰৰ কিতাপ-বহী নাই বা পৰীক্ষাৰ মাচুল দিব পৰা নাই তেওঁ সৰহভাগ ক্ষেত্ৰত সহায়ৰ হাত আগবঢ়াইছিল।

প্ৰাথমিক শিক্ষা লংকাতে গ্ৰহণ কৰি তাৰ পিছত লামডিং ৰে'লৱে হায়াৰছেকেণ্ডাৰী স্কুলৰ পৰা উচ্চ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হৈ পিছত লামডিং মহাবিদ্যালয়ত কলেজীয়া শিক্ষাৰ বাবে নামভৰ্তি কৰে। তাৰ পিছত ঘৰুৱা আৰ্থিক অসুবিধাৰ বাবে শিক্ষা লগতে লংকা চহৰত সেই সময়ত 'বৰঠাকুৰ বুক ষ্টল' স্বত্বাধিকাৰ স্বৰ্গীয় সোমেশ্বৰ বৰঠাকুৰে সুজিত সোমক ঘৰে ঘৰে বাতৰি কাকত যোগান ধৰা আৰু কাকত বিক্ৰী কৰা কামত নিয়োজিত কৰে। কাকত প্ৰদান কৰা সময়তে সেই সময়ৰ লংকাৰ প্ৰসিদ্ধ ডাক্তৰ স্বৰ্গীয় ননিগোপাল বৰাক বাতৰি কাকত যোগান ধৰা লগতে সদায় তেওঁৰ নিয়মীয়া কাকতখনৰ উপৰিও ভাল গুৰুত্বপূৰ্ণ খবৰ আছে বুলি আন এখন দুখন বাতৰি কাকত বিক্ৰী কৰি আহে। ল'ৰাজনৰ সদায় হাঁহি মুখৰ মিঠা মাতৰ কথা লক্ষ্য কৰি ডাঃ বৰাদেৱে এদিন তেওঁক তেওঁৰ ঘৰৰ পৰিচয়ৰ লগতে শিক্ষাগত অৰ্হতা বুজ লৈ চাকৰি কৰিবা নে বুলি সুধিলে। সোমে ক'লে পালে কৰিম। সেয়ে তেওঁক তেওঁৰ শিক্ষাগত অৰ্হতাৰ প্ৰমাণ-পত্ৰ লৈ আহিবলৈ কোৱাত সেই মৰ্মেই লংকা মহাবিদ্যালয়ৰ সভাপতি দায়িত্বত থকা ডাঃ বৰাই সেই সময়ৰ বেচৰকাৰী মহাবিদ্যালয়ৰ চতুৰ্থ বৰ্গ কৰ্মচাৰী হিচাপে নিযুক্তি দিয়ে। পৰৱৰ্তী সময়ত লংকা মহাবিদ্যালয়ত কাৰ্যালয় সহায়ক হিচাপে স্থায়ী নিযুক্তি লাভ কৰে। মহাবিদ্যালয়ত জড়িত হৈ পৰাৰ পাছত তেওঁ নিজৰ জীৱনক কেৱল চাকৰিৰ সীমাৰেখাত বন্দী কৰি ৰাখিব নুখুজিলে। চাকৰিৰ সৈতে সমান্তৰালভাৱে সমাজসেৱাক নিজৰ কৰ্তব্য হিচাপে গ্ৰহণ কৰিলে। নিজৰ সমস্ত উপাৰ্জন কেৱল সমাজ সেৱাতেই ব্যয় কৰিবলৈ আৰম্ভ কৰিলে সমাজবন্ধু সুজিত সোমে।

সমাজসেৱা কোনো পদ-পদবীৰ কাম নহয়। এই কাম কৰিবলৈ লাগে এখন উদাৰ দয়াময় হৃদয় আৰু অকণি উৎসৰ্গৰ মানসিকতা। সুজিত সোম এই বিশেষ গুণৰে অনন্য। দুখীয়া নিচলা ছাত্ৰ-ছাত্ৰীক কিতাপ বহী, পাঠ্য সামগ্ৰী, পঢ়াৰ মাচুল সহায় কৰি দিয়া আৰু বন্যাত, অগ্নিকাণ্ড বা অন্য কোনো প্ৰাকৃতিক বিপদত আক্ৰান্ত গাঁওবাসীক নিজে আগভাগ লৈ সহায়-সম্বল জোগোৱা কাৰ্য তেখেতে জীৱনৰ প্ৰণ হিচাপে গ্ৰহণ কৰিলে।

হোজাই জিলাখনৰ দুৰ্গা পূজা, ব'হাগ বিহু আদি সামাজিক অনুষ্ঠানত অৰ্থনৈতিকভাৱে পিছপৰা মানুহক বস্ত্ৰ, কম্বল, চাদৰ, খাদ্য সামগ্ৰীৰ ওপৰিও আৰ্থিকভাৱে অনুদান আগবঢ়ায় আহিছে। কৰোনা মহামাৰীৰ সময়ত বিভিন্ন অঞ্চলৰ দৰিদ্ৰ লোকসকলৰ মাজত খাদ্য সামগ্ৰী ঘৰে ঘৰে যোগান ধৰা, ঔষধ পাতি যোগান ধৰাটো তেখেতৰ সামাজিক দায়িত্ব হিচাপে গ্ৰহণ কৰিবলৈ মনত সংকল্প গ্ৰহণ কৰিলে।

এইবোৰ কাৰ্যই তেওঁৰ সমাজবন্ধু বুলি খ্যাতি লাভ কৰাৰ পথ সুগম কৰিছে। সুজিত সোম একেবাৰে সাধাৰণ পোছাক-পৰিচ্ছদত থাকিব ভালপায়। অহংকাৰৰ কোনো ঠাই নাই। সমাজৰ অতি পিছপৰা মানুহৰ পৰা শিক্ষিত সমাজৰ ডাক্তৰ-অধ্যাপক সকলোলৈকে তেওঁক সমানভাৱে ভালপায়। কেতিয়াবা কোনো অনুষ্ঠানত শ্ৰদ্ধা-সম্বৰ্দ্ধনা লাভ কৰিলে তেওঁ কয়- 'এই সম্বৰ্দ্ধনা মোৰ নহয়, সমাজৰ সকলো অসহায় মানুহৰ। মই কেৱল হাতটো আগবঢ়াই দিছোঁ।' উল্লেখযোগ্য কথা যে, বহু দুখীয়া কিশোৰ-কিশোৰীয়ে তেওঁৰ সহায়ত উচ্চশিক্ষা অব্যাহত ৰাখিব পাৰিছে। চিকিৎসকসকলক অনুৰোধ কৰি গাঁৱে-গাঁৱে বিনামূলীয়া চিকিৎসা শিবিৰ আয়োজন কৰি ঔষধ যোগান ধৰিছে। ইয়াৰ উপৰিও তেখেতে প্ৰকৃতি সংৰক্ষণ, গছ ৰোপণ, পৰিৱেশ সুৰক্ষা আদি কাৰ্যতো তেওঁৰ আগ্ৰহ যথেষ্ট। প্ৰায় ত্ৰিশ বছৰ ধৰি সমাজৰ সেৱা আগবঢ়ায় আহিছে। দীৰ্ঘদিনীয়া সমাজসেৱাৰ ফলত সকলোৱে তেওঁক স্নেহভাৱে 'সমাজবন্ধু' বুলি মাতিবলৈ আৰম্ভ কৰে। এই নামটোৱে তেওঁক বেছি দায়িত্বশীল কৰি তুলিছে। যেতিয়া কিবা বিপদ বা অনুষ্ঠান আহে, সকলোৱে প্ৰথমতে সুজিত সোমক সোঁৱৰণ কৰে।

সুজিত সোমে বিভিন্ন সংগঠন আৰু ক্লাবৰ পৰা বহু সম্মান-বঁটা লাভ কৰিছে। শ্ৰীমন্ত শংকৰদেৱ কৃষ্টি বিকাশ কেন্দ্ৰত 'ডেকাগিৰি' বঁটা হৈছে তেখেতৰ সমাজ সেৱাৰ স্বীকৃতিৰ কীৰ্তিস্তম্ভ স্বৰূপ। ইয়াৰ ওপৰিও হোজাই জিলা বাৰ্তাজীৱী সংঘ 'সমাজসেৱক' বঁটা, লামডিঙত 'সমাজ হিতৈষী' বঁটা আদিকে ধৰি প্ৰায় অৰ্ধ শতাধিক বঁটা ও সম্বৰ্ধনা-পত্ৰ প্ৰদান কৰে অসমৰ বিভিন্ন প্ৰান্তৰত। কিন্তু তেওঁ সদায় কৈ থাকে- 'প্ৰকৃত বঁটা হৈছে মানুহৰ হাঁহি। যদি মোৰ সহায়ত কোনোজন মানুহে হাঁহিব পায়, তেতিয়াই মই সঁচা বঁটা পাইছোঁ।' আজিৰ ভোগবাদী সমাজত য'ত মানুহে কেৱল নিজৰ লাভ-লোকচানৰ চিন্তা কৰে, তাত সুজিত সোমৰ দৰে এজন সমাজসেৱী সকলোৱে বাবে এক জীৱন্ত অনুপ্ৰেৰণা। তেওঁৰ বাস্তৱ কাহিনী শুনি বহু যুৱকে সমাজক ভালপোৱাৰ মানসিকতা গঢ়ি তুলিছে।

সমাজবন্ধু সুজিত সোম এগৰাকী সাধাৰণ মানুহ, কিন্তু তেওঁৰ কামবোৰ একেবাৰে অসাধাৰণ। তেওঁৰ জীৱনৰ মূল মন্ত্ৰ হৈছে 'মানুহৰ বাবে মানুহ'। নিজৰ জীৱন সৰলভাৱে কটিয়াই আনৰ জীৱনক আনন্দময় কৰি তোলাটোতেই তেওঁ সত্য সাফল্য বিচাৰে। অসম তথা হোজাই অঞ্চলে যদি একে ধৰণৰ কেইবাজনমান সমাজবন্ধু লাভ কৰে, তেন্তে সমাজৰ দৃশ্যপট সম্পূৰ্ণ ৰূপে সলনি হৈ উঠিব।

# গীত-মাত-নৃত্যৰে মুখৰিত ৩২ সংখ্যক 'সাঁকো আলোচনা চক্ৰ'ৰ সাহিত্যানুষ্ঠান

## চকৰিগাঁৱত 'কলংপৰীয়া শাখা সাহিত্য সভা'ৰ উদ্যোগত



**নগাঁৱৰ বিশেষ প্ৰতিবেদক ঃ** 'অসম সাহিত্য সভা'ৰ অন্যতম অগ্ৰণী শাখা নগাঁৱৰ 'কলংপৰীয়া শাখা সাহিত্য সভা'ৰ উদ্যোগত 'সাঁকো আলোচনা চক্ৰ'ৰ ৩২ সংখ্যক বৈঠকখনি ২৬ অক্টোবৰৰ বিয়লি শাখাটোৰ প্ৰাক্তন উপ-সভাপতি তথা চকৰিগাঁও নিবাসী কুমুদ চন্দ্ৰ বৰাৰ বাসগৃহ প্ৰাংগণত অনুষ্ঠিত হয়। কলংপৰীয়া শাখা সাহিত্য সভাৰ বৰ্তমানৰ সভাপতি গোলাপ বৰাৰ সভাপতিত্বত আৰু সাঁকো আলোচনা চক্ৰৰ সঞ্চালক তথা অৱসৰপ্ৰাপ্ত অধ্যক্ষা ৰিণ্টু দাসৰ সঞ্চালনাত অনুষ্ঠিত হোৱা অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰে 'সাঁকো আলোচনা চক্ৰ'ৰ সম্পাদক বসন্ত কৌশিক ভাগৱতীয়ে। সভাৰ আৰম্ভণিতে সুধাকণ্ঠ ড° ভূপেন হাজৰিকা আৰু প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে শাখাৰ প্ৰাক্তন সভাপতি ক্ৰমে কমলা কান্ত বৰা, শৈলেন্দ্ৰ গোস্বামী আৰু থুলেশ্বৰ বৰাই। ইয়াৰ পিছতে ৰূবী বৰা, নৱমল্লিকা কাশ্যপ, দীপশিখা শৰ্মা, শিল্পীশিখা বৰা আৰু মিতালী বৰাৰ কণ্ঠত সুধাকণ্ঠ আৰু প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ কেইবাটাও গীত পৰিৱেশনেৰে শিল্পী দুগৰাকীলৈ গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰে। সভাত জুবিন গাৰ্গৰ সম্পৰ্কত বিস্তৃতভাৱে আলোকপাত কৰে বিশিষ্ট লেখক চিদানন্দ দেৱ গোস্বামীয়ে আৰু বিশ্ববৰেণ্য কণ্ঠশিল্পী ড° ভূপেন হাজৰিকাৰ বিষয়ে আলোচনা আগবঢ়ায় অৱসৰপ্ৰাপ্ত অধ্যাপক, বিশিষ্ট লেখক মোহিনী মোহন ডেকাই। নগাঁও জিলা সাহিত্য সভাৰ সভাপতি ড° শৰৎ বৰকটকীয়েও সভাত অংশগ্ৰহণ কৰি এক মনোজ্ঞ ভাষণ প্ৰদান কৰে। উক্ত সভাতে অসম সাহিত্য সভাৰ নগাঁও আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক ৰেৱত কুমাৰ হাজৰিকাই লেখিকা অমিয়া গোস্বামীৰ শিশু উপন্যাস 'কুঁহেলিকা' উন্মোচন কৰি ভাষণ প্ৰদান কৰে। অনুষ্ঠানৰ নিয়মীয়া শিতানত প্ৰিয়াঙ্কু শৰ্মা, ৰিণ্টু দাস, জেউতি হাজৰিকা, দিপিকা বৰা, গোলাপ বৰা, মিনা বৰা, মালা বৰুৱা, অংকিতা ভট্টাচাৰ্য, খগেন্দ্ৰ নাথ, মাধবী দাস, কুমাৰ বিভূতি, বসন্ত কৌশিক ভাগৱতী, চিনু ৰাজখোৱা লস্কৰ, দিপালী দেৱী, বিজয়া তামুলী, পৰী নেওগ, দীপজ্যোতি শইকীয়া আদিয়ে ভিন্ন লেখা পাঠ কৰে। অনুষ্ঠানত আবৃত্তি পৰিৱেশন কৰে মল্লিকা শইকীয়া ফুকন, জুৰণি প্ৰিয়া বৰা, মোদিতা কলিতা আৰু প্ৰতিভা ভাগৱতীয়ে। দিগন্ত ভাগৱতী, নৱমল্লিকা কাশ্যপ, শিশুশিল্পী দস্মিতা শইকীয়া আৰু দেবাংশ্ৰী বৰাই গীত পৰিৱেশনেৰে সজীৱ কৰি তোলা এই অনুষ্ঠানতে নৃত্য পৰিৱেশন কৰে ক্ৰমে নয়না নন্দিনী বৰা, অভিলাষা শইকীয়া আৰু দেৱব্ৰত বৰাই। নগাঁও জিলা সাহিত্য সভাৰ সম্পাদক ৰাজীৱ হাজৰিকা, সহঃ সম্পাদক প্ৰিয়াঙ্কু শৰ্মা, পুনিৰাম শইকীয়া, ৰমেশ চন্দ্ৰ ভৰালী, মিত্ৰ কমল বৰা, বৈজয়ন্তী খাউণ্ড, কুশেশ্বৰ বৰা, অজিত কুমাৰ শৰ্মা, দিলীপ চন্দ্ৰ শইকীয়া, তৰামাই বৰা, নয়ন জ্যোতি নেওগ, মনীষা বৰকটকী, নিখিল কলিতা, প্ৰণৱ কুমাৰ বৰা, শিৱ প্ৰসাদ বৰাৰ লগতে নগাঁও জিলা সাহিত্য সভাৰ কেইবাটাও শাখাৰ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰে। ইফালে, পঠিত লেখা সমূহৰ এটি চমু অৱলোকন আগবঢ়ায় গোলাপ বৰা (কনিষ্ঠ)ই। সভাৰ শলাগৰ শৰাই আগবঢ়ায় কুমুদ বৰাই। শেষত সভাপতি আৰু সঞ্চালকৰ মন্তব্যৰ পাছতেই জাতীয় সংগীত পৰিৱেশনেৰে সভা ভঙ্গ কৰা হয়।

## বিজেপি নেতা ড° দেৱজিৎ মহন্তৰ পদক্ষেপ

# মুকালমুৱাৰ চতেমাৰী গাঁৱৰ সদ্য নিযুক্ত তিনি যুৱক-যুৱতীক সম্বৰ্ধনা



**শংকৰ দাস, মুকালমুৱা ঃ** ভাৰতীয় জনতা পাৰ্টী অসম প্ৰদেশৰ মুখপাত্ৰ ড° দেৱজিৎ মহন্তই সন্ধিয়াৰ ভাগত মুকালমুৱাৰ চতেমাৰী গাঁৱত উপস্থিত হৈ গাঁওখনৰ পৰা অসম চৰকাৰৰ বিভিন্ন পদত সদ্য নিযুক্তিপ্ৰাপ্ত তিনিগৰাকী যুৱক-যুৱতীক সম্বৰ্ধনা জনায়। টিহু বিধানসভা সমষ্টিৰ অন্তৰ্গত চতেমাৰী গাঁৱৰ গীতুমনি তালুকদাৰ, মনোজ হালৈ আৰু দেৱব্ৰত হালৈক সম্বৰ্ধনা জনায় ড° দেৱজিৎ মহন্তই। উল্লেখ্য যে অসম চৰকাৰৰ স্বচ্ছ আৰু নিকা পদ্ধতিৰ চাকৰিত চতেমাৰী গাঁৱৰ দৰিদ্ৰ পৰিয়ালৰ এই তিনি যুৱক-যুৱতীয়ে নিযুক্তি লাভ কৰি গাঁওখনলৈ সুনাম কঢ়িয়াই আনিছে। গাঁওখনৰ সম্ভুৰাম হালৈৰ পুত্ৰ দেৱব্ৰত হালৈয়ে অসম আৰক্ষীৰ কনিষ্টবল পদত নিযুক্তি লাভ কৰাৰ সমান্তৰালকৈ মহেশ্বৰ হালৈৰ পুত্ৰ মনোজ হালৈ আৰু ভগৱান তালুকদাৰৰ কন্যা গীতুমনি তালুকদাৰে তৃতীয় বৰ্গৰ চাকৰিত নিযুক্তি লাভ কৰে। সম্ভুৰাম হালৈ আৰু ভগৱান তালুকদাৰে দিন হাজিৰা কৰি সন্তানক উচ্চ শিক্ষিত কৰাৰ সমান্তৰালকৈ মহেশ্বৰ হালৈয়ে ক্ষুদ্ৰ ব্যৱসায় কৰি পুত্ৰক উচ্চ শিক্ষিত কৰি তুলিছিল। বিজেপি নেতা ড° দেৱজিৎ মহন্তই সদ্য নিযুক্তিপ্ৰাপ্ত তিনিওগৰাকীৰ ঘৰে ঘৰে গৈ উষ্ম আদৰণি জনায়। ইতিপূৰ্বেও ড° দেৱজিৎ মহন্তই সমষ্টিটোৰ আন নিযুক্তিপ্ৰাপ্ত যুৱক-যুৱতীসকলকো সম্বৰ্ধনা জনায়। ড° দেৱজিৎ মহন্তক সংগ দিয়ে সমষ্টিটোৰ ভাৰতীয় জনতা পাৰ্টীৰ একাংশ কাৰ্যকৰ্তা আৰু যুৱ মৰ্চাৰ সদস্যই। মন কৰিবলগীয়া যে আগন্তক ২০২৬ চনৰ বিধানসভা নিৰ্বাচনক লৈ তৎপৰ হৈ পৰিছে ড° দেৱজিৎ মহন্ত। ভাৰতীয় জনতা পাৰ্টীৰ হকে ২৬ৰ বিধানসভা নিৰ্বাচনত ড° দেৱজিৎ মহন্তই টিহু বিধানসভা সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰাৰ লক্ষ্যৰে সমষ্টিটোত কাম-কাজ কৰি সক্ৰিয় হৈ আহিছে।

# কাজিৰঙাত অসম সাহিত্য সভাৰ ভৱিষ্যৎ প্ৰজন্মৰ সন্মিলন সম্পন্ন

**মৃদুস্মিতা শৰ্মা, বোকাখাত ঃ** ভাবীকালৰ সাধকসকলৰ ভৱিষ্যত তেওঁলোকৰ অভিভাৱকসকলৰ বৰ্তমানে নিৰ্মাণ কৰে। এখন সভ্য সমাজ গঠনৰ বাবে পৰিয়ালবোৰ সজ-সদাচাৰী হ'বই লাগিব। ভৱিষ্যত প্ৰজন্মক সুৰক্ষিত কৰিবলৈকে অসম সাহিত্য সভাৰ ইতিহাসত আমি প্ৰথমবাৰৰ বাবে এই ভৱিষ্যত প্ৰজন্মৰ সন্মিলন আয়োজন কৰিছোঁ। অসম সাহিত্য সভাৰ উদ্যোগত, গোলাঘাট জিলা সাহিত্য সভাৰ সহযোগত আৰু ডিফলুপৰীয়া শতদল শাখা সাহিত্য সভা, স্থানীয় দল-সংগঠনৰ আতিথ্যত গোলাঘাট জিলাৰ ঐতিহ্যপূৰ্ণ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কঁহৰাস্থিত পৰমানন্দ লাহন প্ৰেক্ষাগৃহত ভৱিষ্যত প্ৰজন্মৰ সন্মিলনৰ সভাপতিত্ব কৰি অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে এইদৰে কয়। অসম চৰকাৰৰ কৃষি আৰু পশু পালন মন্ত্ৰী অতুল বৰাই আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকি অসম সাহিত্য সভাৰ পৰম সুহৃদ হিতৈষী সভ্যপদ গ্ৰহণ কৰি কয় যে বৃহত্তৰ অসম আৰু অসমীয়া জাতি গঠনত অসম সাহিত্য সভাৰ ভূমিকা অপৰিসীম। অসম সাহিত্য সভাৰ উপসভাপতি পদুম ৰাজখোৱাই স্মৃতিগ্ৰন্থ 'প্ৰজন্মৰ ঐক্য' উন্মোচন কৰা সন্মিলনখনত সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই অসম সাহিত্য সভাৰ সাংগঠনিক দিশৰ সন্দৰ্ভত গধুৰ বিশ্লেষণ আগবঢ়ায়। ভাষণ প্ৰদান কৰি তেওঁ কয় যে দুহেজাৰ শাখা সাহিত্য সভা গঠনৰ বৃহৎ লক্ষ্যৰে অসম সাহিত্য সভা আগবাঢ়িছে। এই পুণ্য সংগঠনটোক কোনেও আক্ৰোশ পূৰণৰ বাবে ব্যৱহাৰ নকৰিব। জাতিৰ অধিকাৰ খৰ্ব কৰি এই জাতীয় সংগঠনৰ নেতৃত্ব নিৰ্বাচনত অসম সাহিত্য সভাৰ প্ৰতিজন বিষয়ববীয়া আৰু সদস্য বিৰত থকা উচিত। অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ সুৰক্ষাৰ স্বাৰ্থত উৎসৰ্গিত অসম সাহিত্য সভাক অধিক সবল আৰু শক্তিশালী ৰূপত গঢ়ি তোলাৰ লক্ষ্য আগত ৰাখি জিলা সাহিত্য সভাসমূহৰ সম্পাদক, সহকাৰী সম্পাদক আৰু পত্ৰিকা সম্পাদকসকলক লৈ ভৱিষ্যৎ প্ৰজন্মৰ সন্মিলনখনিত নুমলীগড় শোধনাগাৰ মহাপ্ৰবন্ধক ড° কাজল শইকীয়া, অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয়ৰ সম্পাদক ড° জ্যোতিৰেখা হাজৰিকা, নগাঁও আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক ৰেৱত হাজৰিকা, ডিফু আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক বিশ্বজ্যোতি হাজৰিকা, ভূপেন হাজৰিকা সাংস্কৃতিক বিশ্ববিদ্যালয় প্ৰকল্পৰ আহ্বায়ক নুৰুল চুলতান, সাংগঠনিক সম্পাদকত্ৰয় ক্ৰমে মঙলদৈ আঞ্চলিক কাৰ্যালয়ৰ দুলাল নাথ, ডিব্ৰুগড় আঞ্চলিক কাৰ্যালয়ৰ সুনীল গুৰুঙ, নগাঁও আঞ্চলিক কাৰ্যালয়ৰ নিত্যানন্দ বৰা, কেন্দ্ৰীয় প্ৰচাৰ আহ্বায়ক শংকুসিদ্ধ নাথ, কবি সন্মিলন উপ-সমিতিৰ আহ্বায়ক নৱ ৰাজন, পৰিৱেশ্য কলা সংৰক্ষণ আৰু সংবৰ্ধন উপসমিতিৰ আহ্বায়ক চৈয়দ মাৰুফ হুছেইন, তথ্য প্ৰযুক্তি উপসমিতিৰ আহ্বায়ক স্বৰ্গজ্যোতি চেতিয়া, গোলাঘাট জিলা সাহিত্য সভাৰ সভাপতি বন্তি বৰা, উপ-সভাপতি মুহিৰাম লইং, প্ৰাক্তন সভাপতি তফজ্জুল হক বৰবৰা, জিলা প্ৰতিনিধি ড° যতীন নাথ, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য অঞ্জনা গগৈ, পুলক কুমাৰ গগৈ, ভূৱন ছেত্ৰী, নগাঁও, গোলাঘাট, যোৰহাট, শিৱসাগৰ, তিনিচুকীয়া, লক্ষীমপুৰ, শোণিতপুৰ, ওদালগুৰি, দৰং, কাৰ্বি আংলং, ডিমা হাছাও, গোৱালপাৰা জিলা সাহিত্য সভা প্ৰমুখ্যে অধিকাংশ জিলা সভাৰ সম্পাদক, সহকাৰী সম্পাদক, পত্ৰিকা সম্পাদক, প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰে। গোলাঘাট জিলা সাহিত্য সভাৰ সম্পাদক দুলাল দাসে আঁতধৰা সন্মিলনখনৰ আৰম্ভণিতে প্ৰতিজন অংশগ্ৰহণকাৰীক অসমৰ স্বাভিমানৰ প্ৰতীক কাজিৰঙাৰ এশিঙীয়া গঁড়ৰ স্মাৰক, জাতীয় অংগ-বস্ত্ৰ, অভিনন্দন পত্ৰ আৰু গ্ৰন্থৰে ব্যাপক আদৰণী জনায়। চিৰ চেনেহী মোৰ ভাষা জননী গীতেৰে আৰম্ভ হোৱা সন্মিলনখন জাতীয় সংগীত পৰিৱেশনৰে সফল সমাপ্তি ঘটে। ইফালে সভাৰ প্ৰথম কাৰ্যসূচী অনুসৰি পুৱা ৮-৪০ বজাত পতাকা উত্তোলন কৰে গোলাঘাট জিলা সাহিত্য সভাৰ সভাপতি বন্তি বৰাই। পুৱা ৯ বজাত স্মৃতি তৰ্পণ কৰে অভ্যৰ্থনা সমিতিৰ সভাপতি মিনতি দলে। ৯-৩০ বজাত প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাৰ্ঘ জ্ঞাপন কৰি বন্তি প্ৰজ্বলন কৰে বিশিষ্ট সমাজসেৱক, চলচ্চিত্ৰ নিৰ্মাতা, ৰজত কমল বঁটাপ্ৰাপক নুৰুল চুলতানে।

# মানৱতাৰ পথভ্ৰষ্ট শিক্ষা

**■ আচিক আহমেদ,** বৰভাগ

**মা**নুহৰ জীৱনত শিক্ষা হৈছে জ্ঞানৰ পোহৰ, জীৱনৰ দিশ নিৰ্ধাৰণৰ মূল স্তম্ভ। 'শিক্ষাই মানুহক মানুহ বনাব পাৰে, কিন্তু অহংকাৰে মানুহক ধ্বংস কৰিব পাৰে।'

এই উক্তিটো সমাজৰ বাবে যথেষ্ট প্ৰাসঙ্গিক। শিক্ষা মানে কেৱল পঢ়া-লিখা নহয়, ই হৈছে মানৱিকতা, বিনম্ৰতা আৰু নৈতিকতাৰ পটভূমি, জীৱনৰ অৰ্থ অনুধাৱন কৰাৰ এক মহান শক্তি। কিন্তু যেতিয়া সেই শিক্ষাই বিনম্ৰতাৰ পথ দেখুওৱাৰ সলনি অহংকাৰৰ দিশে ধাৱিত হয়, তেতিয়া সমাজৰ ভিতৰতে আৰম্ভ হয় মানৱিকতাৰ ক্ষয়। আজিৰ অসমত এই দৃশ্য অত্যন্ত স্পষ্টভাৱে দেখা যায় কিয়নো বৰ্তমান সময়ত এই শিক্ষাই যেন কিছুমান মানুহৰ মাজত অহংকাৰৰ মূল কাৰণ হৈ পৰিছে। বিশেষকৈ নিজৰ শিক্ষা, চাকৰি বা পদবীৰ ওপৰত ভিত্তি কৰি অহংকাৰ মনোভাৱ কঢ়িয়াই লৈ মানুহে নিজকে আনৰ পৰা পৃথক কৰি ৰাখে, যেন তেওঁলোক সমাজৰ কোনো বিশেষ অধিকাৰী। নিজৰ সফলতাক মানুহে সমাজ সেৱা কৰাৰ উপায় হিচাপে নহয়, বৰঞ্চ আত্ম অহংকাৰ হিচাপে গ্ৰহণ কৰিবলৈ লয়- এই মানসিকতা আমাৰ সমাজৰ এক গভীৰ অসুস্থতা যিয়ে সমাজত বৈষম্য, দূৰত্ব আৰু মানৱিক মূল্যবোধৰ অৱনতি ঘটাইছে। অসমত শিক্ষা গ্ৰহণৰ পাছতেই বহুতেই কেৱল চৰকাৰী চাকৰিৰ বাবে নিজকে প্ৰস্তুত কৰে যদিও আন দিশ সমূহত আগবাঢ়িবলৈ নিবিচাৰে যাৰ ফলত চৰকাৰী চাকৰি গ্ৰহণ কৰাৰ পিছত বহুতে ভাৱে "মই চৰকাৰী চাকৰি কৰো, সেয়ে মই উত্তম।" এই ভাৱেই মানুহক এলেহুৱা আৰু আত্মকেন্দ্ৰিক কৰি তোলে। আনক তুচ্ছ দৃষ্টিৰে চায়, যেন সন্মানৰ যোগ্য নহয়। প্ৰকৃততেই যেতিয়া নিজৰ কোনো সফলতা নাইবা শিক্ষাগত অৰ্হতাৰ ওপৰত আত্ম অহংকাৰৰ মনোভাৱে প্ৰৱেশ কৰে তেতিয়া সমাজত এটা বিভাজন সৃষ্টি হয়। এফালে অহংকাৰী শিক্ষিত শ্ৰেণী আৰু আনফালে সৰল, পৰিশ্ৰমী কিন্তু অৱহেলিত জনসমাজ। অন্য ৰাজ্যসমূহলৈ চালে দেখা যায়- তাত মানুহে নিজৰ কামৰ দ্বাৰা গৌৰৱ অনুভৱ কৰে। ইঞ্জিনিয়াৰ, বা স্নাতক ডিগ্ৰীধাৰী হৈয়ো সৰু কাম কৰিবলৈ তেওঁলোকে লাজ নকৰে। তেওঁলোকে জানে সন্মান কামৰ প্ৰতি থকা সততা আৰু পৰিশ্ৰমত থাকে। তেওঁলোকে শিক্ষিত নাইবা ধনী ব্যক্তি হৈয়ো লেবেল দেখুৱাই অহংকাৰ নকৰে আৰু বিনয়ী আচৰণ ব্যৱহাৰ কৰে, কিন্তু অসমত মানুহৰ সামান্য উন্নতি হ'লেই মানুহে "লেবেল" লগাই নিজকে উচ্চ স্তৰত স্থাপন কৰে। এই ধৰণৰ অহংকাৰে সমাজৰ একতা নষ্ট কৰে আৰু উন্নয়নত বাধা দিয়ে। দুভাগ্যজনকভাৱে আমাৰ সমাজৰ লোকৰ উন্নতি হ'লে প্ৰতিযোগিতাৰ পৰিৱৰ্তে তললৈ নমাবলৈ চেষ্টা কৰে। কিন্তু আমেৰিকাত আনে আগবাঢ়ি যোৱা দেখিলে সহায় কৰিবলৈ বিচাৰে- এয়াই হৈছে আমাৰ মানসিকতা, যাৰ বাবে আমি এতিয়াও পিছ পৰি আছোঁ। আচলতে শিক্ষাৰ মূল উদ্দেশ্য হৈছে মানৱতা, বিনম্ৰতা আৰু সমাজসেৱাৰ প্ৰেৰণা জগোৱা কিন্তু যদি শিক্ষা অহংকাৰৰ কাৰণ হয়, তেন্তে সেই শিক্ষা নিৰৰ্থক।

**ম'বাইল ঃ** ৯৩৬৫৮-৬৫০৮২

# ভাওনা ঃ অসমীয়া সংস্কৃতিৰ জীৱন্ত ঐতিহ্য

**■ সত্যব্ৰত বৰা**

**ভা**ওনা অসমীয়া সংস্কৃতিৰ এক অনন্য আৰু গৌৰৱময় সম্পদ। এই পৰম্পৰাগত নাট্যকলা অসমৰ সাংস্কৃতিক জীৱনৰ এক অবিচ্ছেদ্য অংশ হিচাপে শতিকাজুৰি জনপ্ৰিয়তা বজাই ৰাখিছে। ভাওনাৰ মূলতে আছে ধৰ্মীয় ভক্তি, সামাজিক একতা আৰু শিল্পৰ এক অপূৰ্ব মিশ্ৰণ। যোড়শ শতিকাত মহাপুৰুষ শংকৰদেৱে প্ৰৱৰ্তন কৰা ভাওনাই অসমীয়া জনজীৱনৰ ওপৰত গভীৰ প্ৰভাৱ পেলাইছে। ভাওনা কেৱল এটি নাটকীয় প্ৰদৰ্শন নহয়, ই এটি জীৱন দৰ্শন, য'ত ধৰ্ম, সংগীত, নৃত্য আৰু অভিনয়ৰ সংমিশ্ৰণে সমাজৰ বিভিন্ন দিশক প্ৰতিফলিত কৰে।

ভাওনাৰ উৎপত্তি মহাপুৰুষ শংকৰদেৱৰ ভক্তি আন্দোলনৰ সৈতে গভীৰভাৱে জড়িত। শংকৰদেৱে অসমত নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰৰ বাবে ভাওনাক এক শক্তিশালী মাধ্যম হিচাপে ব্যৱহাৰ কৰিছিল। তেওঁৰ উদ্দেশ্য আছিল সাধাৰণ মানুহৰ মাজত ভক্তিৰ ভাৱ জাগ্ৰত কৰা আৰু ধৰ্মীয় তত্ত্বসমূহ সহজ-সৰলভাৱে উপস্থাপন কৰা। তেওঁৰ ৰচিত অংকীয়া নাট, যেনে "পাৰিজাত হৰণ", "কেলি গোপাল", "ৰুক্মিণী হৰণ" আদি, ভাওনাৰ ভিত্তি হিচাপে কাম কৰে। এই নাটবোৰত শ্ৰীকৃষ্ণৰ লীলা আৰু ভক্তি কাহিনীৰ জৰিয়তে জনসাধাৰণৰ মনত ধৰ্মীয় ভাৱ জাগ্ৰত কৰা হৈছিল। শংকৰদেৱৰ এই প্ৰয়াসে অসমীয়া সমাজত এক নতুন সাংস্কৃতিক জাগৰণৰ সূচনা কৰিছিল।

ভাওনাৰ অন্যতম প্ৰধান বৈশিষ্ট্য হ'ল ইয়াৰ সৰলতা আৰু জনপ্ৰিয়তা। ইয়াক পৰিৱেশনৰ বাবে বিশাল মঞ্চ বা জটিল সৰঞ্জামৰ প্ৰয়োজন নহয়। গাঁৱৰ নামঘৰ, খোলা পথাৰ বা সৰল মঞ্চতো ভাওনা পৰিৱেশন কৰিব পাৰি। এই নাট্যকলাৰ মূল উদ্দেশ্য হ'ল দৰ্শকৰ মনোৰঞ্জনৰ লগতে তেওঁলোকৰ মনত নৈতিক আৰু আধ্যাত্মিক মূল্যবোধৰ প্ৰতিষ্ঠা কৰা। ভাওনাৰ পৰিৱেশনত সংগীত, নৃত্য আৰু অভিনয়ৰ এক অপূৰ্ব সমন্বয় দেখা যায়। বৰগীত, অংকীয়া নাটৰ গীত আৰু বিভিন্ন তালৰ সংমিশ্ৰণে ভাওনাক এক অনন্য শৈল্পিক ৰূপ দিয়ে।

ভাওনাৰ পৰিৱেশনত ব্যৱহৃত সংগীত আৰু নৃত্যই ইয়াক অধিক জীৱন্ত কৰি তোলে। বৰগীত আৰু অংকীয়া নাটৰ গীতবোৰ শংকৰদেৱ আৰু মাধৱদেৱে ৰচনা কৰিছিল, যিবোৰ ভক্তিৰসেৰে পৰিপূৰ্ণ। এই গীতবোৰত শ্ৰীকৃষ্ণৰ লীলা, ভক্তিৰ মহিমা আৰু জীৱনৰ নৈতিক শিক্ষাৰ কথা বৰ্ণনা কৰা হয়। ভাওনাৰ সংগীতত খোল, তাল, নেগেৰা, বাঁহী আদি পৰম্পৰাগত বাদ্যযন্ত্ৰৰ ব্যৱহাৰ হয়, যিয়ে পৰিৱেশনক এক মধুৰ পৰিৱেশ প্ৰদান কৰে। নৃত্যৰ ক্ষেত্ৰতো ভাওনাৰ নিজস্ব শৈলী আছে। শংকৰদেৱে প্ৰৱৰ্তন কৰা সত্ৰীয়া নৃত্য ভাওনাৰ এক অবিচ্ছেদ্য অংশ। এই নৃত্যৰ মাধ্যমেৰে কাহিনীৰ বিভিন্ন দৃশ্য জীৱন্তভাৱে প্ৰকাশ কৰা হয়।

ভাওনাৰ অভিনয়ৰ শৈলীও অতি সুকীয়া। ইয়াত অভিনেতাসকলে সংলাপৰ জৰিয়তে কাহিনী বৰ্ণনা কৰে আৰু সূত্ৰধাৰৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। সূত্ৰধাৰে কাহিনীৰ পৰিচয় দিয়ে, পৰিৱেশনৰ বিভিন্ন অংশৰ মাজত সংযোগ স্থাপন কৰে আৰু দৰ্শকৰ সৈতে এক আন্তৰিক সম্পৰ্ক গঢ়ি তোলে। ভাওনাৰ অভিনয়ত পৌৰাণিক চৰিত্ৰসমূহ জীৱন্ত হৈ উঠে আৰু দৰ্শকে এই চৰিত্ৰসমূহৰ সৈতে এক আধ্যাত্মিক সংযোগ অনুভৱ কৰে। অভিনেতাসকলে পৰম্পৰাগত সাজপোছাক আৰু মুখাৰ ব্যৱহাৰ কৰে, যিয়ে ভাওনাৰ দৃশ্যগত সৌন্দৰ্য বৃদ্ধি কৰে।

ভাওনাৰ আন এটি গুৰুত্বপূৰ্ণ দিশ হ'ল ইয়াৰ সামাজিক একতাৰ ভূমিকা। ভাওনা পৰিৱেশনত গোটেই সমাজৰ মানুহ একত্ৰিত হয়। গাঁৱৰ মানুহে একেলগে মিলি ভাওনাৰ আয়োজন কৰে, য'ত সকলোৱে নিজৰ নিজৰ দায়িত্ব পালন কৰে। কোনোবাই অভিনয় কৰে, কোনোবাই সংগীতৰ দায়িত্ব লয়, আন কোনোবাই মঞ্চ সজোৱাৰ কাম কৰে। এইদৰে ভাওনা এখন গাঁৱৰ সামূহিক প্ৰচেষ্টাৰ প্ৰতীক হৈ পৰে। ইয়াৰ জৰিয়তে সমাজৰ বিভিন্ন শ্ৰেণীৰ মানুহৰ মাজত একতাৰ ভাৱ জাগ্ৰত হয়।

ভাওনাৰ ধৰ্মীয় দিশৰ উপৰিও ইয়াৰ সামাজিক আৰু শৈক্ষিক গুৰুত্বও অপৰিসীম। ভাওনাৰ কাহিনীত প্ৰায়ে নৈতিক শিক্ষা, সততা, সহানুভূতি আৰু ধৰ্মৰ পথত চলাৰ কথা উল্লেখ থাকে। এই কাহিনীৰ জৰিয়তে দৰ্শকৰ মনত ভাল গুণৰ প্ৰতি আগ্ৰহ জন্মে। শিশু-কিশোৰৰ বাবেও ভাওনা এক শিক্ষাৰ মাধ্যম। ইয়াৰ জৰিয়তে তেওঁলোকে পৌৰাণিক কাহিনী, ধৰ্মীয় মূল্যবোধ আৰু সাংস্কৃতিক পৰম্পৰাৰ বিষয়ে জানিব পাৰে।

আধুনিক যুগতো ভাওনাৰ প্ৰাসংগিকতা অটুট আছে। যদিও আধুনিক বিনোদনৰ মাধ্যম যেনে টেলিভিছন, চিনেমা আৰু ইণ্টাৰনেটৰ প্ৰভাৱ বাঢ়িছে, তথাপিও ভাওনাৰ জনপ্ৰিয়তা এতিয়াও অসমৰ গাঁৱে-ভূঁৱে জীয়াই আছে। বিভিন্ন উৎসৱ, ধৰ্মীয় অনুষ্ঠান আৰু সাংস্কৃতিক অনুষ্ঠানত ভাওনা পৰিৱেশন কৰা হয়। তদুপৰি, আধুনিক পৰিপ্ৰেক্ষিতত ভাওনাৰ কাহিনী আৰু পৰিৱেশন শৈলীতো কিছু পৰিৱৰ্তন আহিছে। কিছুমান ভাওনাত সমসাময়িক বিষয়, যেনে পৰিৱেশ সুৰক্ষা, নৈতিকতা আদিৰ ওপৰতো কাহিনী ৰচনা কৰা হৈছে। এইদৰে ভাওনা নিজৰ পৰম্পৰাগত মূল্যবোধ বজাই ৰাখি সময়ৰ সৈতে খাপ খাই চলিছে।

ভাওনাৰ সংৰক্ষণ আৰু প্ৰচাৰৰ বাবে বিভিন্ন প্ৰতিষ্ঠান আৰু শিল্পীৰ অৱদান অতি গুৰুত্বপূৰ্ণ। অসমৰ সত্ৰসমূহে ভাওনাৰ পৰম্পৰা জীয়াই ৰাখিছে। তদুপৰি, বিভিন্ন সাংস্কৃতিক সংগঠন আৰু শিক্ষানুষ্ঠানে ভাওনাৰ প্ৰশিক্ষণ আৰু পৰিৱেশনৰ বাবে কাম কৰি আছে। যুৱ প্ৰজন্মৰ মাজতো ভাওনাৰ প্ৰতি আগ্ৰহ বৃদ্ধি পাইছে, যিটো অসমীয়া সংস্কৃতিৰ বাবে এক শুভ লক্ষণ।

ভাওনাৰ সৌন্দৰ্য ইয়াৰ সৰলতা আৰু গভীৰতাৰ মাজত নিহিত হৈ আছে। ই কেৱল এটি নাট্যকলা নহয়, ই অসমীয়া জাতিৰ পৰিচয়, ঐতিহ্য আৰু আধ্যাত্মিকতাৰ প্ৰতীক। ভাওনাই অসমীয়া সমাজক একত্ৰিত কৰি, ধৰ্মীয় আৰু নৈতিক মূল্যবোধৰ প্ৰচাৰ কৰি আৰু শিল্পৰ এক অনন্য ৰূপ উপস্থাপন কৰি অসমীয়া সংস্কৃতিৰ গৌৰৱ বৃদ্ধি কৰিছে। সেয়েহে, ভাওনাক অসমীয়া সংস্কৃতিৰ এক গৌৰৱময় স্বৰ্ণসৌধ হিচাপে আখ্যা দিয়াটো কোনো অত্যুক্তি নহয়। ইয়াক সংৰক্ষণ আৰু প্ৰচাৰ কৰাটো আমাৰ সকলোৰে দায়িত্ব, যাতে এই সম্পদ ভৱিষ্যত প্ৰজন্মৰ বাবেও জীয়াই থাকে।

# শিৱসাগৰ কালীবাৰিৰ কালীধামত ৯৪তম্ শ্ৰীশ্ৰী কালী পূজা উদ্‌যাপন



**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** ঐতিহাসিক শিৱসাগৰ চহৰৰ কালীবাৰিস্থিত প্ৰসিদ্ধ মা কালীধামত যোৱা ২০ অক্টোবৰত শ্ৰীশ্ৰী কালী পূজা সফলতাৰে সম্পন্ন হয়। উল্লেখ্য যে, ১৯৩১ চনতে স্থাপিত হোৱা এই জাগ্ৰত মন্দিৰ ভাগত এইবাৰ প্ৰায় দহ সহস্ৰাধিক ভক্তপ্ৰাণ ৰাইজে দৰ্শন কৰাৰ লগতে ধূপ-দ্বীপ, নৈবদ্যৰে পূজা অৰ্চনা আগবঢ়ায়। অসমৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ মহাপ্ৰয়াণৰ কাৰণে এইবাৰ কোনো ধৰণৰ সাংস্কৃতিক আৰু মনোৰঞ্জনৰ অনুষ্ঠান অনুষ্ঠিত হোৱা নাই যদিও পৰম্পৰাগত অনুসৰি কেৱল গোঁসানী নামৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। লগতে মন্দিৰ প্ৰাংগণত প্ৰতিবছৰৰ দৰে এইবাৰো জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলো ৰাইজৰ সহযোগত সম্পূৰ্ণ বৈদিক ৰীতি-নীতিৰে বলিবিধান কাৰ্যসূচী সম্পন্ন হয়। মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি নিৰেন শৰ্মাৰ লগতে জয়ন্ত দত্ত, মৃদুল কুমাৰ ফুকন, পুলিন শৰ্মা, পৱন বৰঠাকুৰ, অনুপ ভট্টাচাৰ্য, দিগন্ত দত্ত, চন্দ্ৰশেখৰ শৰ্মা আদিয়ে জানিবলৈ দিয়া অনুসৰি এইবাৰ পূজা ভাগত শিৱসাগৰৰ সমূহ ৰাইজৰ সহায়ত পূজাৰ সকলো কাৰ্যসূচী সফলতাৰে সম্পন্ন হয়।

# নগাঁৱত স্বাধীনতা সংগ্ৰামী বীৰ বাহু কৈৱৰ্তক অপমান

## প্ৰতিমূৰ্ত্তি নিৰ্মাণৰ কামত বাধা প্ৰদান দুষ্টচক্ৰৰ

**জয়ন্ত মুদৈ, নগাঁও ঃ** ঐতিহাসিক কৃষক বিদ্ৰোহ 'ফুলগুৰি ধেৱা'ৰ বীৰ ছহীদ বাহু কৈৱৰ্ত্তৰ প্ৰতিমূৰ্ত্তি নিৰ্মাণৰ কামত দুষ্টচক্ৰই বাধা প্ৰদান কৰাক লৈ সম্প্ৰতি নগাঁও জিলাত জনসাধাৰণৰ মাজত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। আনকি, শেহতীয়াকৈ বীৰ বাহু কৈৱৰ্ত্তৰ বিষয়ে নৱ প্ৰজন্মক জ্ঞাত কৰাৰ মহান উদ্দেশ্যৰে বীৰজনাৰ প্ৰতিমূৰ্ত্তি নিৰ্মাণ কৰাৰ ক্ষেত্ৰত আগভাগ লোৱা অনুসূচিত জাতি মানচিত্ৰ, অসম নামৰ সামাজিক অনুষ্ঠানটি আইনৰ কাষ চাপিবলৈ বাধ্য হোৱা বুলি জানিব পৰা গৈছে। এই সন্দৰ্ভত অনুসূচিত জাতি মানচিত্ৰ, অসমৰ সভাপতি নৃপেন মণ্ডলৰ স্বাক্ষৰযুক্ত এজাহাৰ আৰু ৰহাৰ পণ্ডিত গোপীনাথ বৰদলৈ উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী অনু কোঁৱৰ সিংহই দিয়া এজাহাৰত উল্লেখ কৰা মতে ঐতিহাসিক ফুলগুৰি ধেৱাৰ বীৰ ছহীদ বাহু কৈৱৰ্ত্তৰ এটি প্ৰতিমূৰ্ত্তি নিৰ্মাণৰ বাবে ৰহা বিধান সভা সমষ্টিৰ বিধায়ক শশীকান্ত দাসে বিধায়ক উন্নয়ন পুঁজিৰ পাঁচ লাখ টকা অনুদান হিচাপে আগবঢ়ায়। এই টকাৰে নগাঁৱৰ ৰহাৰ ৩৭ নং ৰাষ্ট্ৰীয় ঘাই পথৰ দাঁতিতে থকা পণ্ডিত গোপীনাথ বৰদলৈ উচ্চ মাধ্যমিক বিদ্যালয়ৰ চৌহদত চলিত বৰ্ষৰ যোৱা ৭ আগষ্ট তাৰিখে বিধায়ক শশীকান্ত দাসৰ উপস্থিতিত আধাৰশিলা স্থাপন কৰা হয়। সেইখিনিলৈকে ঠিকেই আছিল। অনুসূচিত জাতি মানচিত্ৰ, অসম নামৰ সামাজিক সংগঠনটোৱে সম্পূৰ্ণ নীতি পালনেৰে ৰহাৰ পণ্ডিত গোপীনাথ বৰদলৈ উচ্চ মাধ্যমিক বিদ্যালয়ৰ কৰ্তৃপক্ষ তথা পৰিচালনা সমিতিৰ লগত কেইবালানি আলোচনাৰ অন্তত চৰকাৰী অনুমতি সাপেক্ষে ১০×১০ বৰ্গৰ মাটি অনুমোদন লৈ প্ৰতিমূৰ্ত্তি নিৰ্মাণৰ কাম আৰম্ভ কৰিছিল। কিন্তু যোৱা ১২ অক্টোৱৰৰ দিনা ৰহাৰ জনৈক দিলীপ বৰা আৰু তেওঁৰ সম্পৰ্কীয় মহিলা মামু বৰাই বীৰ বাহু কৈৱৰ্ত্তৰ প্ৰতিমূৰ্ত্তি নিৰ্মাণস্থলীলৈ আহি মূৰ্ত্তি নিৰ্মাণৰ কাম বন্ধ কৰিবলৈ হুমকি দিয়াৰ লগতে নিৰ্মাণ কামত জড়িত মিস্ত্ৰী, নিৰ্মাণ সমিতিৰ বিষয়ববীয়া আৰু বিদ্যালয়খনৰ প্ৰধান শিক্ষয়িত্ৰী গৰাকীক উদ্দেশ্যি অকথ্য গালি-গালাজ পাৰে। তদুপৰি দুয়োগৰাকীয়ে বিদ্যালয়খনৰ ভূমি দাতাৰ বলপূৰ্বক উত্তৰাধিকাৰী দাবী কৰি জাত-পাতত ধৰি সীমা চেৰাই বিভিন্ন বৈষম্যমূলক মন্তব্যৰে প্ৰাণে মৰাৰো ভাবুকি দিয়ে। তাতেই ক্ষান্ত নাথাকি ঐতিহাসিক ফুলগুৰি ধেৱাৰ বীৰ ছহীদ বাহু কৈৱৰ্তৰ প্ৰতিমূৰ্ত্তি ভাঙি দিয়াৰ ভাবুকি প্ৰদান কৰে। সেয়ে এতিয়া এই লৈ ৰহাৰ লগতে সমগ্ৰ জিলাখনতে ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ইফালে, শেহতীয়াকৈ অনুসূচিত জাতি মানচিত্ৰ, অসম আৰু পণ্ডিত গোপীনাথ বৰদলৈ উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰীয়ে এই সন্দৰ্ভত ৰহা আৰক্ষী থানাত দিয়া এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে দুটি গোচৰ ৰুজু কৰিবলৈ বাধ্য হৈছে। এনে ঘটনাক নগাঁৱা সচেতন মহলে তীব্ৰ ধিক্কাৰ দিছে।

# নগাঁও বিশ্ববিদ্যালয়ত ৰাজ্যিক পৰ্যায়ৰ ৰেড ৰাণ মাৰাথন-২০২৫ ৰ সফল সমাপ্তি




**বিশেষ সংবাদদাতা, নগাঁও ঃ** অসম এইডচ নিয়ন্ত্ৰণ সমিতিৰ উদ্যোগত আৰু ৰেড ৰিবন ক্লাব, এন এছ এছ গোট আৰু ছাত্ৰ একতা সভা নগাঁও বিশ্ববিদ্যালয়ৰ সহযোগত এইডছ ৰোগৰ সজাগতা সৃষ্টিৰ উদ্দেশ্যি আয়োজিত ৰাজ্যিক পৰ্যায়ৰ ৰেড ৰাণ মাৰাথান প্ৰতিযোগিতাখনি পুৱা ৭ বজাত আৰম্ভ হয়। এই প্ৰতিযোগিতাখনিৰ উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে নগাঁও জিলাৰ আয়ুক্ত দেৱাশিষ শৰ্মা। আয়ুক্ত শৰ্মাই এইডচৰ সজাগতাৰ বিষয়ে ছাত্ৰ-ছাত্ৰীৰ আগত দাঙি ধৰি সমাজৰ পৰা এই ব্যাধি আঁতৰ কৰাত যুৱ সমাজে দায়িত্ব ল'ব লাগে বুলি অৱগত কৰে। এই অনুষ্ঠানৰ লগত সংগতি ৰাখি পুৱা ১০ বজাৰ পৰা অনুষ্ঠিত সভাত উপস্থিত থাকে নগাঁও বটদ্ৰৱা সমষ্টিৰ বিধায়ক তথা নগাঁও বিশ্ববিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ সন্মিলনীৰ সভাপতি ৰূপক শৰ্মা। বিধায়ক শৰ্মাই সভাত উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলক এই কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ বাবে ধন্যবাদ জ্ঞাপন কৰি সমাজত এইডছৰ প্ৰতি সজাগতা সৃষ্টি কৰিবলৈ আহ্বান জনায়। নগাঁও বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° হিতেশ ডেকাই উদ্বোধনী ভাষণ প্ৰদান কৰে। ৰেড ৰিবন ক্লাব আৰু নগাঁও বিশ্ববিদ্যালয়ৰ এন এছ এছৰ সমন্বয়ক ড° ভুৱন চন্দ্ৰ চুতীয়াই সভাত এই অনুষ্ঠানটোৰ তাৎপৰ্য সম্পৰ্কে উল্লেখ কৰে। এই সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে অসম এইডচ নিয়ন্ত্ৰণ সমিতিৰ গিপা (GIPA) ৰ অতিৰিক্ত সঞ্চালক ড° মানৱ সূৰ্য্য দাসে। ড° দাসে এইডচৰ ভয়াৱহতাৰ কথা উল্লেখ কৰি এইডচৰ নিয়ন্ত্ৰণত ছাত্ৰ-ছাত্ৰীক ভূমিকা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। যুৱ কল্যাণ বিভাগৰ অতিৰিক্ত সঞ্চালক পল্লৱ হাজৰিকাই সভাত অংশগ্ৰহণ কৰি ৰেড ৰাণ মাৰাথানত অংশগ্ৰহণ কৰা সকলো প্ৰতিযোগীক ধন্যবাদ জ্ঞাপন কৰে। অসম এইডছ নিয়ন্ত্ৰণ সমিতিৰ গণমাধ্যম আৰু প্ৰচাৰ বিভাগৰ সহকাৰী সঞ্চালক ৰাজীৱ শৰ্মাই সভাত অংশগ্ৰহণ কৰি অনুষ্ঠানটো আয়োজন কৰাৰ বাবে নগাঁও বিশ্ববিদ্যালয়ক ধন্যবাদ জ্ঞাপন কৰে। এই ৰেড ৰাণ মাৰাথানত অসমৰ বিভিন্ন মহাবিদ্যালয়-বিশ্ববিদ্যালয়ৰ ২১০জন প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। ছোৱালী শাখাত প্ৰথম পুৰস্কাৰ লাভ কৰে- বঢ়মপুৰ এছ এছ আই উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰী পাহি কেওঁটে। দ্বিতীয় আৰু তৃতীয় স্থান ক্ৰমে- ডিফু চৰকাৰী মহাবিদ্যালয়ৰ ছাত্ৰী চাঙমিৰ টেৰণপি আৰু চেৰলিবন টেৰণপিয়ে। বিচাৰকৰ বিশেষ পুৰস্কাৰ লাভ কৰে ক্ৰমেঃ সোণমিলি মিলিকপি আৰু নিলীমা ইংতিপিয়ে। ল'ৰা শাখাত প্ৰথম পুৰস্কাৰ লাভ কৰে নেশ্যনেল ইনষ্টিটিউট অব ফিজিকেল এডুকেশ্যন, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে ক্ৰমে- নগাঁও চৰকাৰী উচ্চতৰ মাধ্যমিক বালক বিদ্যালয়ৰ ছাত্ৰ মৃণ্ময় কলিতা আৰু অৰ্জুন ছেত্ৰীয়ে। বিচাৰকৰ বিশেষ পুৰস্কাৰ লাভ কৰে ক্ৰমে ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ খ্ৰীষ্টফাৰ পানিকা আৰু পূব কাৰ্বি আংলং মহাবিদ্যালয়ৰ মিনদাৰ বে। এই সভাতে মাই ভাৰত এন এছ এছ বঁটা প্ৰাপক পূৰ্বৰ নগাঁও মহাবিদ্যালয় আৰু বৰ্তমানৰ নগাঁও বিশ্ববিদ্যালয়ৰ এন এছ এছৰ সমন্বয়ক ড° ভুৱন চন্দ্ৰ চুতীয়া আৰু এই বঁটা লাভ কৰা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ এন এছ এছৰ স্বেচ্ছাসেৱক প্ৰিয়ানুজ হাজৰিকাক অসম এইডছ নিয়ন্ত্ৰণ সমিতিয়ে সম্বৰ্ধনা জনায়। এই সভাত নগাঁও বিশ্ববিদ্যালয়ৰ ভাৰপ্ৰাপ্ত কুল সচিব, অধ্যাপক-অধ্যাপিকা, এন এছ এছৰ সদস্য-সদস্যা উপস্থিত থাকে। নগাঁও বিশ্ববিদ্যালয়ৰ ভাৰপ্ৰাপ্ত ডীন ড° লক্ষ্যজ্যোতি বৰঠাকুৰে শলাগৰ শৰাই আগবঢ়ায়।

# ৫ নৱেম্বৰৰ পৰা ওদালবাক্ৰাত ৰাসোৎসৱ, ধৰ্মীয় পৰম্পৰাৰে লাইখুঁটা স্থাপন

**গুৱাহাটী ঃ** ৫ নৱেম্বৰৰ পৰা ১৩ নৱেম্বৰলৈ ওদালবাক্ৰা জনজাতীয় যুৱ কল্যাণ পৰিষদৰ উদ্যোগত আৰু স্থানীয় অনুষ্ঠান-প্ৰতিষ্ঠানৰ সহযোগত বিষ্ণুৰাভা উদ্যান আৰু পৰিষদৰ খেলপথাৰত ৰাসোৎসৱ অনুষ্ঠিত হ'ব। প্ৰাণ শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ হেতু শিল্পীজনাৰ প্ৰতি শ্ৰদ্ধা জনাই এইবেলি অনাড়ম্বৰভাৱে ৰাসোৎসৱ পালন কৰা হ'ব। তদুপলক্ষে ৰাসোৎসৱৰ লাইখুঁটা ভূমি পূজনেৰে স্থাপন উদ্‌যাপন সমিতিৰ সভাপতি অনন্ত ৰাভাই। শতাধিক স্থানীয় লোক উপস্থিত থকা লাইখুঁটা স্থাপন অনুষ্ঠানৰ অনন্ত ৰাভাই কয় যে আড়ম্বৰৰ পৰিৱৰ্তে অনাড়ম্বৰতাৰে কেৱল ধৰ্মীয় কাৰ্যসূচীৰেহে ৰাসোৎসৱ পালন কৰা হ'ব। ইতিমধ্যে দ্বিতীয় বৰ্ষৰ বাবে উদ্‌যাপন কৰিবলৈ লোৱা ৰাসোৎসৱ পৰিচালনাৰ বাবে প্ৰতীপ কুমাৰ ৰাভাক উপদেষ্টা অনন্ত ৰাভাক সভাপতি, বিষ্ণু ডেকাক কাৰ্যকৰী সভাপতি, সোমেশ্বৰ বড়ো, প্ৰভাত শৰ্মা, নৰেন ডেকা আৰু ডাঃ নৰহৰি বৰ্মনক উপ-সভাপতি, জিণ্টু ৰাভাক সাধাৰণ সম্পাদক, নয়নজ্যোতি ৰাভা, জয়ন্ত ৰাভাক যুটীয়া সম্পাদক, মথুৰা ৰাভাক সহকাৰী সম্পাদক, চিত্তৰঞ্জন ডেকাক কোষাধ্যক্ষ আৰু সুভাষ ৰাভা (জ্যেষ্ঠ)ক সহযোগী কোষাধ্যক্ষ আৰু ৰাজীৱ ৰাভা, অচিন ৰাভাক সদস্য হিচাপে লৈ মূল পৰিচালনা সমিতিখন গঠন কৰাৰ লগতে কেবাখনো উপ-সমিতি গঠন কৰা হৈছে।



**শ্ৰীশ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱ উদ্‌যাপন**

**ওদালবাক্ৰা, গুৱাহাটী**

ইয়াৰ দ্বাৰা সকলো ৰাইজকে জনোৱা হ'ল যে, ওদালবাক্ৰা জনজাতীয় যুৱ কল্যাণ পৰিষদৰ উদ্যোগত আৰু পাৰ্শ্বৱৰ্তী অঞ্চলৰ ৰাইজৰ সহযোগত অহা ৫ নৱেম্বৰৰ পৰা ১৩ নৱেম্বৰ, ২০২৫ তাৰিখলৈ ৯ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ওদালবাক্ৰা বিষ্ণু ৰাভা উদ্যানত দ্বিতীয়বৰ্ষ শ্ৰীশ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱ উদ্‌যাপন কৰিবলৈ লোৱা হৈছে। ৰাসৰ লগত সংগতি ৰাখি আটাইকেইটা দিনতে আধ্যাত্মিক ধৰ্মীয় কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। যিসকল শিল্পীয়ে হৰিনাম, টোকাৰীনাম, কৃষ্ণনৃত্য, ৰাসনৃত্য, গোপিণীনৃত্য, শ্ৰীকৃষ্ণ লীলা ভাওনা বা ধৰ্মীয় সংগীত যেনে- বৰগীত, লোকগীত আদি পৰিৱেশন কৰিব বিচাৰে, তেওঁলোকক সাংস্কৃতিক বিভাগৰ লগত যোগাযোগ কৰি অতি সোনকালে অৰ্থাৎ ৩০ অক্টোবৰৰ আগতে নিজৰ আবেদন দাখিল কৰিবলৈ এই জাননীযোগে অনুৰোধ জনোৱা হ'ল।

লগতে ৮ নৱেম্বৰ, ২০২৫ তাৰিখে দিনৰ ১-৩০ বজাত (দ্বাদশ শ্ৰেণীলৈকে দুটা শাখাত) বৰগীত আৰু ৯ নৱেম্বৰ, ২০২৫ তাৰিখ দেওবাৰে পুৱা ৯-০০ বজাত (স্নাতকোত্তৰ শ্ৰেণীলৈকে দুটা শাখাত) চিত্ৰাংকন প্ৰতিযোগিতা ও অনুষ্ঠিত হ'ব, সেয়ে উক্ত ফোন নম্বৰত যোগাযোগ কৰিবলৈ অনুৰোধ জনোৱা হ'ল।

| | |
|---|---|
| সাংস্কৃতিক সম্পাদক | সাংস্কৃতিক সভাপতি |
| শ্ৰীমতি ৰাম নাথ, | শ্ৰীভৰত চন্দ্ৰ দেউৰী |
| ম'বাইল ঃ ৯৮৬৪৫-০৪৯১৪ | ম'বাইল ঃ ৯৪৩৫০-০০০৬২ |

# বংশৰত অভিনন্দন গ্ৰন্থ ‘ৰ’দৰ স্তাৱক’ উন্মোচন

## সামাজিক দায়বদ্ধতাই নতুন প্ৰজন্মক উদ্বুদ্ধ কৰে ঃ ধীৰেন শৰ্মা




**ৰমেন ভৰালী, বংশৰ ঃ** কামৰূপ জিলাৰ বংশৰৰ বিশিষ্ট সমাজকৰ্মী, বৰ্ষীয়ান জ্যেষ্ঠ নাগৰিক দেৱেন্দ্ৰনাথ কাকতিৰ ৭৮ সংখ্যক জন্মদিন উপলক্ষে ‘ৰ’দৰ স্তাৱক’ নামৰ অভিনন্দন গ্ৰন্থ এখন যোৱা ২৬ অক্টোবৰত উন্মোচন কৰে বিশিষ্ট সাহিত্যিক, অসম সাহিত্য সভাৰ কৰ্ণধাৰ সমিতিৰ সদস্য তথা কামৰূপ জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ধীৰেন শৰ্মাই। বিয়লি তিনি বজাত বংশৰ ভৃংগেশ্বৰ হাইস্কুলৰ প্ৰেক্ষাগৃহত বংশৰ ভৃংগেশ্বৰ হাইস্কুলৰ অৱসৰী কৃতী শিক্ষক তথা অভিনন্দন গ্ৰন্থ ‘ৰ’দৰ স্তাৱক’ সম্পাদনা সমিতিৰ সভাপতি ভগৱান বৈশ্যৰ সভাপতিত্বত অনুষ্ঠিত হোৱা অভিনন্দন গ্ৰন্থ উন্মোচনী সভাত সাংবাদিক তথা অসম সাহিত্য সভাৰ স্বজাতীয় মৈত্ৰী বন্ধন উপ-সমিতিৰ আহ্বায়ক ৰমেন ভৰালী আৰু শিক্ষক, বিশিষ্ট কবি, লেখক নিত্যানন্দ নাথৰ সম্পাদনাত প্ৰকাশিত অভিনন্দন গ্ৰন্থ ‘ৰ’দৰ স্তাৱক’ উন্মোচন কৰি বিশিষ্ট সাহিত্যিক ধীৰেন শৰ্মাই বিশিষ্ট সমাজকৰ্মী মাননীয় দেবেন্দ্ৰ নাথ কাকতিদেৱৰ ৭৮ সংখ্যক জন্মদিনৰ শুভেচ্ছা জনায় সমাজ হিতৈষী দেৱেন্দ্ৰনাথ কাকতিৰ জীৱন আৰু কৃতিৰ বিষয়ে কোৱাৰ লগতে তেখেতে কয় যে কিছুমান ব্যক্তিৰ বিশাল কৰ্মময় জীৱনে সমাজ জীৱনত স্থায়ী প্ৰভাৱ পেলায়। সেই সকল ব্যক্তিৰ নিঃস্বাৰ্থ সামাজিক দায়বদ্ধতাই নতুন প্ৰজন্মক উদ্বুদ্ধ কৰে। তেনে ব্যক্তি বিশেষক সমাজে স্বীকৃতি দিয়াটো অতি আদৰণীয় পদক্ষেপ। সেই স্বীকৃতি জীৱিত অৱস্থাত গ্ৰন্থ আকাৰে দিব পাৰিলে তেনে ব্যক্তি বিশেষৰ বাবে পৰম সৌভাগ্য বুলি কয়। বৃহত্তৰ বংশৰ অঞ্চলৰ প্ৰথমখন অভিনন্দন গ্ৰন্থ ৰ’দৰ স্তাৱকে ভৱিষ্যতৰ নৱ প্ৰজন্মৰ বাবে অনুকৰণীয় হ’ব পাৰে বুলি কয়। সম্পাদনা সমিতিৰ সম্পাদক তথা সাংবাদিক ৰমেন ভৰালী আৰু শিক্ষক নিত্যানন্দ নাথে আঁতধৰা অভিনন্দন গ্ৰন্থ উন্মোচনী সভাৰ আগতে বিশিষ্ট সমাজকৰ্মী দেবেন্দ্ৰনাথ কাকতিদেৱৰ পিতৃ বংশৰৰ বৈভৱ স্বৰ্গীয় মানিক চন্দ্ৰ কাকতি, স্বৰ্গীয় মাতৃ দিৰ্বো বালা কাকতি আৰু অসমৰ হিয়াৰ আমঠু, অমৃত কণ্ঠ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তিপ্ৰজ্বলন আৰু পুষ্পাঞ্জলি প্ৰদান কৰে বুলুপ্ৰভা কাকতিয়ে। গ্ৰন্থ উন্মোচনী সভাত মুখ্য অতিথি হিচাপে বংশৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী উপাধ্যক্ষ তথা বিশিষ্ট শিক্ষাবিদ মদন মোহন দাস, আমন্ত্ৰিত অতিথি হিচাপে দুধনৈ মহাবিদ্যালয়ৰ অৱসৰী অধ্যাপক ড° হৰমোহন দাস, শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক অতুল চন্দ্ৰ দাস, প্ৰাক্তন ছাত্ৰ নেতা তথা যুৱ নেতা প্ৰকাশ চন্দ্ৰ দাস উপস্থিত থাকি বিশিষ্ট সমাজকৰ্মী দেবেন্দ্ৰনাথ কাকতিদেৱৰ জীৱনৰ ওপৰত আলোকপাত কৰি ভাষণ দিয়ে। বংশৰ জল্টিদাস হাইস্কুলৰ শিক্ষয়িত্ৰী বিভাৰাণী দাসে এটি সুন্দৰ লোকগীতেৰে শুভাৰম্ভ কৰা গ্ৰন্থ উন্মোচনী সভাত বিশিষ্ট সমাজকৰ্মী দেবেন্দ্ৰনাথ কাকতিদেৱে নিজৰ মনোভাৱ ব্যক্তকৰি সকলোকে আদৰণি জনায়। সভাত এটি কবিতা পাঠ কৰে কবি ৰাজেশ্বৰ বসুমতাৰীয়ে। সভাৰ শেষত শলাগ জ্ঞাপন কৰে সাংবাদিক ৰমেন ভৰালী আৰু সমাজ সংগঠক, শিক্ষক নিত্যানন্দ নাথে। গ্ৰন্থ উন্মোচনী সভাত অভিনন্দন গ্ৰন্থত লিখা লেখক আৰু বংশৰ অঞ্চলৰ বিশিষ্ট ব্যক্তিসকলক সম্বৰ্ধনা জনোৱা হয়।

# ডিব্ৰুগড়ৰ মানৱ কল্যাণ সেৱা সংস্থাৰ ২৭ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন



**ষ্টাফ ৰিপ’ৰ্টাৰ, ডিব্ৰুগড় ঃ** ১৯৯৮ চনৰ ২৯ আগষ্টত জন্ম লাভ ডিব্ৰুগড়ৰ ‘মানৱ কল্যাণ সেৱা সংস্থা’ৰ ২৭ সংখ্যক প্ৰতিষ্ঠা দিৱস ডিব্ৰুগড়ৰ চৌকিডিঙীস্থিত জীৱন ফুকন নগৰ কাৰ্যালয়ত দিনজোৰা কাৰ্যসূচীয়ে উদ্‌যাপন কৰা হয়। দিৱসৰ লগত সংগতি ৰাখি সংস্থাৰ কাৰ্যালয়ত পুৱা ১১ বজাত সভানেত্ৰী লখিমী নেওগে বন্তি প্ৰজ্বলনেৰে অমৃতকণ্ঠ জুবিন গাৰ্গলৈ শ্ৰদ্ধা নিবেদন কৰি কাৰ্যসূচী শুভাৰম্ভ কৰে। অনুষ্ঠানত সংস্থাৰ উপ-সভানেত্ৰী বিনু শৰ্মাৰ ওপজাদিন উপলক্ষে শুভেচ্ছা জনোৱা হয়। আনহাতে এই অনুষ্ঠানতে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী বুলু বৰঠাকুৰ সোঁৱৰণী এলানি ভক্তিৰসৰ দুৰ্গানাম প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। দুপৰীয়া ২.০০ বজাত লখিমী নেওগৰ সভানেত্ৰীত্বত অনুষ্ঠিত ২য় পৰ্যায়ৰ সভাত পুৰস্কাৰ বিতৰণ কৰে বুলু বৰঠাকুৰৰ স্বামী অধিবক্তা বকুল কুমাৰ শৰ্মায়ে। এই সভাত সংস্থাৰ সম্পাদিকা বিজয়িনী ডাঃ মালাৰাণী দেৱী দত্তক চলিত বৰ্ষত কেইবাটাও বঁটাৰে বিভূষিত হোৱাৰ বাবে ‘মানৱ কল্যাণ সেৱা সংস্থা, Global Organization Of Life Development ( GOLD), ডিব্ৰুগড় লায়ন্স ক্লাব, দীপশিখা ফাউণ্ডেচন আদিকে ধৰি কেইবাটাও অনুষ্ঠানেও আনুষ্ঠানিকভাৱে তেখেতক সম্বৰ্ধনা জ্ঞাপন কৰে। সংস্থাৰ সভ্যসকলৰ লগতে উপস্থিত সুধীবৃন্দই সমকণ্ঠে ‘মায়াবিনী’ পৰিৱেশন কৰা এই অনুষ্ঠানত সভানেত্ৰী গৰাকীয়ে দীপশিখা ফাউণ্ডেচনত আশ্ৰয় গ্ৰহণ কৰা তিনি গৰাকী কৰ্কট ৰোগীলৈ আৰ্থিক সাহাৰ্য প্ৰদান কৰে। সংস্থাৰ সভানেত্ৰী, কাৰ্যকৰী সমিতিৰ আজীৱন সদস্যাসকলে অংশগ্ৰহণ কৰে অনুষ্ঠানত। সংস্থাৰ সম্পাদিকা মালাৰাণী দত্তই আঁতধৰা অনুষ্ঠানত সংস্থাৰ সভানেত্ৰী লখিমী নেওগৰ সভাপতিত্বত অনুষ্ঠিত হয় মুকলি সভা। উল্লেখ্যযোগ্য যে ডিব্ৰুগড়ৰ অন্যতম সেৱাৰ অনুষ্ঠান ‘মানৱ কল্যাণ সেৱা সংস্থা’ৰ ২৭ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা দুৰ্গানাম প্ৰতিযোগিতাত বিজয়ীসকলক বঁটা প্ৰদান কৰা হয়। অনুষ্ঠানৰ সামৰণিত পুনৰ অসমৰ নক্ষত্ৰ জুবিন গাৰ্গলৈ শ্ৰদ্ধাজনাই - মায়াবিনী ৰাতিৰ বুকুত- গীতটি সকলোৱে পৰিৱেশন কৰে।

# ৰূপালী জয়ন্তী বৰ্ষত ধেমাজি আঞ্চলিক ৰাস মহোৎসৱ

**লক্ষ্যজ্যোতি বৰা ঃ** ৰহা সমষ্টিৰ অন্তৰ্গত দক্ষিণ জাগীয়াল গাঁও পঞ্চায়তৰ অন্তৰ্গত বৃহত্তৰ ধেমাজী গাঁৱৰ ৰাইজৰ আশাশুধীয়া প্ৰচেষ্টাত আজিৰ পৰা ২৫ বছৰ পূৰ্বে আৰম্ভ হোৱা ধেমাজি আঞ্চলিক ৰাস মহোৎসৱভাগে আহি আহি ৰূপালী জয়ন্তী বৰ্ষত ভৰি দিলে। তদুপলক্ষে ধেমাজি গাঁৱৰ কলংপৰীয়া সমন্বয় ক্ষেত্ৰত অহা ৪, ৫ আৰু ৬ নৱেম্বৰ তাৰিখে তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ৰূপালী জয়ন্তী বৰ্ষ উদ্‌যাপনৰ ব্যৱস্থা কৰিছে। ৰহা সমষ্টিৰ বিধায়ক শশীকান্ত দাসে ৪ নৱেম্বৰৰ প্ৰথম কাৰ্যসূচী ভাগৱত আদৰণিৰ পাছতেই সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰিব। মহাভাগৱত প্ৰতিষ্ঠা, ধৰ্মধ্বজা উত্তোলন, ৰূপালী জয়ন্তী উপলক্ষে ২৫খন পতাকা অঞ্চলৰ বিশিষ্ট সমাজকৰ্মীৰ দ্বাৰা উত্তোলন, স্মৃতি তৰ্পণ, শ্ৰদ্ধাঞ্জলি, খোল প্ৰসঙ্গ, ভাগৱত পাঠ, নাম প্ৰসংগৰ মাজেৰে দিনৰ কাৰ্যসূচীৰ অন্তত সন্ধিয়া ঘৰে ঘৰে বন্তি প্ৰজ্বলন আৰু সমন্বয় ক্ষেত্ৰত গায়ন-বায়ন জোৰাৰে প্ৰথম দিনৰ কাৰ্যসূচীৰ সামৰণি পৰিব। দ্বিতীয় দিনা অৰ্থাৎ ৫ নৱেম্বৰ তাৰিখে দিনৰ কাৰ্যসূচীৰ অন্তত নিশালৈ অঞ্চলৰ বাচকবণিয়া জীয়ৰী-বোৱাৰীৰ দ্বাৰা ননৈৰ চন্দ্ৰাৱলী কেলি গোপাল ৰাস পৰিচালনা সমিতিৰ পৰিচালনাত পৰিৱেশন হ’ব লগা কেলিগোপাল নাটভাগিৰ শুভ উদ্বোধন কৰিব বিশিষ্ট সমাজকৰ্মী উৎপল বণিয়াই। তৃতীয় দিনা অৰ্থাৎ ৬ নৱেম্বৰ তাৰিখে অন্যান্য কাৰ্যসূচীৰ পাছতে দুপৰীয়া ১ বজাত ৰাস মহোৎসৱৰ ইতিবৃত্তি আৰু ইয়াৰ প্ৰাসংগিকতা শীৰ্ষক আলোচনাচক্ৰ অনুষ্ঠিত হ’ব। নিশালৈ অঞ্চলৰ বাচকবণিয়া শিল্পীৰ দ্বাৰা পৰিৱেশন হ’ব লগা নৰসিংহ অৱতাৰ অংকীয়া নাটভাগি উদ্বোধন কৰিব বিশিষ্ট যুৱ ব্যৱসায়ী তথা সমাজকৰ্মী গৌতম ডেকাই। উক্ত তিনিও দিনৰ কাৰ্যসূচীত ৰাইজৰ আন্তৰিক উপস্থিতি কামনা কৰিছে উদ্‌যাপন সমিতিৰ সভাপতি প্ৰভাত চন্দ্ৰ বৰদলৈ আৰু সম্পাদক মৃদুল কুমাৰ নাথে।



শিৱসাগৰত পূৰ্বোত্তৰ হিন্দুস্তানী যুৱ মঞ্চৰ দ্বাৰা শ্ৰীশ্ৰী সূৰ্য্য ষষ্ঠী পূজা উদ্‌যাপন ফটো ঃ অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ

# ডিব্ৰুগড়ত জুবিন গাৰ্গৰ ন্যায় বিচাৰি ডিব্ৰুগড়ৰ ২নং টেকেলা চিৰিং গাঁৱৰ নামঘৰত ভক্তি আন্দোলন



**এম হাছিম আলী, ডিব্ৰুগড় ঃ** জুবিন গাৰ্গৰ ন্যায় বিচাৰি ৰাজপথৰ আন্দোলন কিম্বা ডিজিটেল আন্দোলন নহয় এইবাৰ ডিব্ৰুগড়ত ভক্তি আন্দোলনৰ যোগেদি শ্ৰদ্ধাঞ্জলি ভাগৱত পাঠ আৰু ব্যাখ্যাৰে বিচাৰিছে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ন্যায়। ডিব্ৰুগড় মহানগৰৰ দাঁতিকাষৰীয়া ২নং টেকেলা চিৰিংগাঁও ৰাজহুৱা নামঘৰত দিনজোৰাকৈ অনুষ্ঠিত হয় ভাগৱত পাঠ আৰু ব্যাখ্যা অনুষ্ঠান। লখিমপুৰৰ পৰা আমন্ত্ৰিত মুখ্য ব্যাখ্যাকাৰক জগত বনিয়া আৰু সহযোগী পাঠক পদ্মেশ্বৰ বনিয়াৰ বাপদ্বয়ে ভাগৱতৰ শ্লোক পাঠ আৰু ব্যাখ্যাৰে মুখৰিত হৈ পৰে নামঘৰ চৌহদ। সহস্ৰাধিক আই, বাপ, জীয়াৰী-বোৱাৰী উপস্থিত হৈ প্ৰভূ ভগৱন্তৰ শ্ৰীচৰণত সেৱা লৈ হিয়াৰ আমঠু জুবিন গাৰ্গৰ মৃত্যুৰ প্ৰকৃত ৰহস্য উদ্‌ঘাটন, হত্যাকাৰীৰ কু-অভিসন্ধি ফাদিল, হত্যাকাৰীৰ উচিত শাস্তি আৰু সস্তীয়া ৰাজনীতিত লিপ্তসকলৰ মুখা খোল খোৱাৰ বাবে কাকুতি মিনতি কৰাৰ লগতে জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গক তেৰাই শক্তি প্ৰদান কৰিবলৈ চাকি বন্তি, শৰাই আগবঢ়ায়। আধ্যাত্মিক অনুষ্ঠানভাগিত আৰম্ভণিতে জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ, বন্তি প্ৰজ্বলন, পুষ্পাঞ্জলি অপৰ্ণৰ লগতে নামঘৰত জুবিন গাৰ্গৰ অমৰ সৃষ্টি ‘মায়াবিনী ৰাতিৰ বুকুত’ গীত পৰিৱেশন কৰে। নামঘৰৰ মেধি আৰু অন্যান্য জ্যেষ্ঠ বিষয়ববীয়াসকলে অংশগ্ৰহণ কৰা অনুষ্ঠানত মাহ প্ৰসাদ বিতৰণ কৰা হয়।




Janasanyog RO no 2764/25/31-October-25

# সন্তানৰ চৰিত্ৰ গঠনত পিতৃ-মাতৃৰ ভূমিকা আৰু বন্ধুত্ব

■ অনামিকা (সংগীতা) কলিতা,
শুৱালকুছি

বিষয়টো গুৰুত্বপূৰ্ণ, সন্তানৰ চৰিত্ৰ গঠন আৰু বৌদ্ধিক বিকাশৰ ক্ষেত্ৰত পৰিয়ালৰ স্থান প্ৰথম। ঘৰখনেই মূল আধাৰ, পিতৃ-মাতৃ হ'ল প্ৰধান গুৰু, তেওঁলোকৰ অৱদান অতুলনীয় দুয়োৰে গুৰুত্বপূৰ্ণ ভূমিকা আছে।

শিশুটোৰ জন্মৰ পৰাই পাঁচ বছৰলৈ ৯০ পূৰ্ণ বিকাশ হয়। গতিকে এই সময়খিনি শিশুৰ বিকাশৰ পূৰ্ণ গতিত হয়, তাৰ বাবে সু-পৰিকল্পিতভাৱে তদাৰক কৰিব লাগে, এই ক্ষেত্ৰত মাকৰ দায়িত্ব অধিক। শিশুটোৰ প্ৰাথমিক আৰু মৌলিক চাহিদা পূৰণৰ লগে-লগে সিহঁতৰ মানসিক-দৈহিক গঠন, ৰুচি, প্ৰবৃত্তি, বিশ্বাস ধাৰণাৰ সম্যক জ্ঞানৰ স্বৰূপ পূৰ্ণ বিকশিত হয় তাৰ ধ্যান ৰখাৰ দায়িত্ব মাক-দেউতাকৰ। মাকৰ দেউতাকৰ দায়িত্ব ঘৰৰ বাতাবৰণ সুস্থ কৰি ৰখা, তেতিয়াহে এটা শিশুৰ বিকাশ সু-পৰিকল্পতিভাৱে বিকাশ হয় আৰু সুস্থ মানসিকতা সন্তানৰ গঢ়ি তুলিব পাৰিব। এই ক্ষেত্ৰত নিয়মানুবৰ্তিতা মাজেৰে মাক-দেউতাকে শিকাব লাগিব, ধ্যান ৰাখিব লাগিব সিহঁত যাতে আমনি নেপায়।

সন্তানৰ চৰিত্ৰ গঠনত কৰিবলগীয়া আন এক কাম হ'ল, সদায় সৃষ্টিশীল কামৰ প্ৰতি সিহঁতক উদ্‌গনি যোগোৱা। মহাত্মা গান্ধী, ৰবীন্দ্ৰ নাথ ঠাকুৰ, বেঞ্জামিন ফ্ৰেকলিন বিভিন্ন মনীষী আদিৰ লিখনিত তেওঁলোকৰ সৰু কালত মাক-দেউতাকৰ অৱদান যথেষ্ট আছিল যাৰ বাবে সমাজত তেওঁলোক এজন মহান ব্যক্তিৰ ৰূপে পৰিগণিত হৈছিল।

আমাৰ দিনত মাক-দেউতাই বা শিক্ষাগুৰুৱেই চেকেনিৰ প্ৰয়োগ কৰিছিল। সেই সময়ত উচিত আছিল। যৌথ পৰিয়াল ককা-আইত-খুড়া আদিৰ মৰমত শিশুটিৰ অবাধ্য হৈছিল যদিও তেওঁলোকৰ পৰা নৈতিক জ্ঞান লাভ কৰিছিল। শিশুটিৰ শিষ্টাচাৰ ধৈৰ্য্য আৰু সহ্য গুণ বেছি আছিল। ধৈৰ্য্য আৰু সহ্য গুণৰ কাৰণে উপযুক্ত নাগৰিক হৈ সমাজত নিজৰ লগতে, দেশৰ নাম উজ্বলাই তুলিছিল। কিন্তু বৰ্তমান একক পৰিয়াল। মাক-দেউতাকৰ লগতে শিশুটি ডাঙৰ হয়। আগৰ দৰে পাঁচ-ছটা শিশু পৰিয়ালত নাথাকে। এটা বা দুটা শিশু এটা পৰিয়ালত, সেই কাৰণে বৰ্তমানৰ শিশুবোৰৰ অকণমান ধৈৰ্য্যশীলতাৰ অভাৱ দেখা যায়। এইবোৰ কাৰণৰ বাবেই সিহঁতক বন্ধুত্ব আৰু মৰমেৰে শিকাব লাগিব। সৰুৰে পৰা মাক-দেউতাকে সিহঁতক বিভিন্ন সাধুকথা আদিৰে নীতি শিক্ষা জ্ঞান দি পুংখানুপুংখভাৱে জড়িত থাকিব লাগিব।

আজিকালি যিহেতু ম'বাইল আদি প্ৰযুক্তিবিদ্যাৰ যুগ, সিহঁতে সৰুৰে পৰাই সকলো জ্ঞান লাভ কৰিব সুবিধা পায়। সিহঁতক ব্যক্তিগত ৰুচি-অভিৰুচি আৰু প্ৰবৃত্তি অনুসাৰে স্বাভাৱিক সুন্দৰ আৰু শোভনীয় দিশবোৰ গ্ৰহণ কৰা, অশোভনীয় আৰু অহিতকৰ বিষয়বোৰ বৰ্জন কৰা শিকাব লাগিব। এই দায়িত্ব আমাৰ পিতৃ-মাতৃৰ আৰু কিছু ক্ষেত্ৰত শিক্ষকসকলৰ। কাৰণ আজিৰ শিশু কাইলৈ দেশৰ নাগৰিক মূল আধাৰ।

সিহঁতৰ ক্ষেত্ৰত পিতৃ-মাতৃৰ আন এক গুৰুত্বপূৰ্ণ ভূমিকা আছে সেইটো হ'ল লগ-সমনীয়া বা বন্ধু-বান্ধৱ।

সিহঁতৰ লগ সমনীয়া বন্ধুত্বৰ ওপৰত অভিভাৱকে গুৰুত্ব ৰাখিব লাগিব। বন্ধুত্ব হ'ল হৃদয়ৰ আৱেগ অনুভূতিৰ এক অন্য ৰূপ। মনৰ সম্পৰ্ক বিশ্বাস এক এনাজৰী থাকে বন্ধুত্ব। নিজৰ মনৰ ভাৱ খুলি ক'ব পৰা বন্ধু এজন জীৱনত খুবেই প্ৰয়োজন। সেই বিশ্বাস ৰাখিব পৰা বন্ধুত্ব সিহঁতে যাতে পাই তাত গুৰুত্ব থাকিব লাগিব। বৰ্তমান প্ৰযুক্তি বিদ্যাৰ যুগত সেয়া সীমিত পৰিধিৰ মাজত। তেজৰ সম্পৰ্কতকৈ মনৰ সম্পৰ্ক থকা এগৰাকী বন্ধুত্বৰ সম্পৰ্ক অতি আৱশ্যকীয়। জীৱনৰ পংকিল পথত আগুৱাই যাওঁতে হৰ্ষ-বিষাদ আদি অনুভূতি প্ৰকাশ কৰাৰ প্ৰেৰণামূলক উপদেশ এজন প্ৰকৃত বন্ধুত্বৰ পৰা পোৱা যায়। বন্ধুত্বত কোনো প্ৰাচীৰ নাথাকে। ভাগৱতত পাইছোঁ শ্ৰীকৃষ্ণ আৰু অৰ্জুনৰ বন্ধুত্ব তেওঁলোক বন্ধুত্বৰ জগতত বিৰল উদাহৰণ। কিছুমান দুষ্ট প্ৰকৃতিৰ বন্ধুৰ দ্বাৰা সিহঁতৰ জীৱন ধ্বংস হ'ব পাৰে। ফকৰা যোজনা এটা আছে সৎ সঙ্গত পৰিলে লোক সৎ হয় আৰু অসৎ সঙ্গত পৰিলে লোক অসৎ হয় মানে নষ্ট হয়। কিছুমান বন্ধু নিচা আসক্ত থাকিব পাৰে, সেইবোৰৰ লগ হ'লে নিচাসক্ত হৈ জীৱন ধ্বংস নোৱাৰে তাৰ কাৰণে পিতৃ-মাতৃয়ে নজৰ ৰাখিব লাগিব। কিছুমান বন্ধু আছে নিজে পঢ়াশুনা নকৰে আনে পঢ়িলেও সেই বন্ধুজনৰ পঢ়াত ব্যাঘাত জন্মায়। তেনে বন্ধু-বান্ধৱীৰ পৰা সাৱধান হ'ব লাগিব। গতিকে পিতৃ-মাতৃৰ ভূমিকা গুৰুত্বপূৰ্ণ।

ম'বাইল ঃ ৭০০২৯-৪২৫৯১

# চতুৰ্দশ অসম মিলন ইউৰোপ হাৰ্টথ্ৰ'ৱ জুবিনলৈ শ্ৰদ্ধাঞ্জলি

## ইউৰোপত থকা সকলো অসমীয়া একেখন মঞ্চত

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড় ঃ** ইউৰোপৰ লাক্সেমবৰ্গত অনুষ্ঠিত হৈছে চতুৰ্দশ অসম মিলন ২০২৫ । অসমীয়া সংস্কৃতি, ভাষা আৰু পৰিচয় উদ্‌যাপনৰ লগতে অসম আৰু অসমীয়াৰ হিয়াৰ আমঠু দুজন দিগন্তপ্ৰসাৰক শিল্পী জুবিন গাৰ্গ আৰু ভাৰতৰত্ন ড° ভূপেন হাজৰিকাক বিশেষ শ্ৰদ্ধাঞ্জলি সমগ্ৰ ইউৰোপ জুৰি বিস্তাৰিত হৈ থকা প্ৰৱাসী অসমীয়া সমাজৰ সদস্যসকলে চতুৰ্দশ অসম মিলন উপলক্ষে লাক্সেমবৰ্গত একত্ৰিত হৈ অসমীয়া পৰম্পৰা, সংস্কৃতি আৰু সম্প্ৰীতিৰ আন্তঃৰাষ্ট্ৰীয় এক মিলনস্থলিলৈ ৰূপান্তৰিত কৰিছে। অসমৰ দুজন অনন্য বহুমুখী সংগীত প্ৰতিভা জুবিন গাৰ্গ আৰু ড° ভূপেন হাজৰিকাৰ অমৰ সংগীতক ঐতিহ্যলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে তিনিদিনীয়াকৈ অনুষ্ঠিত কৰা বৃহৎ অনুষ্ঠানটো শিল্পী দুগৰাকীৰ নামত উৎসৰ্গা কৰে ছুইডেন, ডেনমাৰ্ক, ফিনলেণ্ড, এস্তোনিয়া, জাৰ্মানি, নেদাৰলেণ্ড, ফ্ৰান্স, চুইজাৰলেণ্ড, স্পেইন, পোলেণ্ড, ৰাছিয়া, ব্ৰিটিছ যুক্তৰাজ্য, গ্ৰেট ব্ৰিটেন আৰু যুক্তৰাজ্যকে ধৰি ইউৰোপৰ প্ৰায় ৪০ খন দেশত সিঁচৰতি হৈ থকা প্ৰৱাসী অসমীয়া সকলক ঐক্যবদ্ধ কৰাৰ লগতে এক আন্তঃৰাষ্ট্ৰীয় সাংস্কৃতিক সেঁতুলৈ ৰূপান্তৰ হৈছে এই মিলন সমাৰোহ। 'অসম মিলন' অনুষ্ঠান প্ৰথমবাৰ ২০০৯ চনত জাৰ্মানীত অনুষ্ঠিত হৈছিল। উদ্দেশ্য আছিল ইউৰোপত থকা সকলো অসমীয়াক এক মঞ্চত আনিবলৈ। বৰ্তমান অসম মিলন হৈছে এক ইউৰোপীয় উৎসৱ, য'ত বিশ খনতকৈও অধিক দেশৰ অসমীয়াই ভাষা, সংগীত, নৃত্য আৰু অসমীয়া মূলৰ চিনাকিৰ জৰিয়তে একত্ৰ হৈছে। ২০২৫ চনৰ লাক্সেমবাৰ্গ সংস্কৰণে নতুন এক অধ্যায়ৰ সূচনা কৰিছে, য'ত সাংস্কৃতিক অনুষ্ঠান, প্ৰদৰ্শনী, ডিজিটেল আলোচনী উন্মোচন, নতুন ৱেবছাইট উন্মোচন, আৰু সমাজিক আলোচনা আদিৰে মুখৰিত হৈ পৰিছে পৰিৱেশ। আনহাতে ডিজিটেল আলোচনী 'অসম মিলন'ত থাকিব শিল্পীসকলৰ বিশেষ সোঁৱৰণী আৰু ইউৰোপত থকা অসমীয়াৰ জীৱন কাহিনী- যিয়ে নতুন প্ৰজন্মক নিজৰ মূলৰ সৈতে সংযোগ স্থাপন কৰিবলৈ অনুপ্ৰেৰণা দিব। অসমীয়া সমাজৰ বাবে, জুবিন গাৰ্গৰ সংগীত কেৱল শিল্প নহয়- ই আছিল এখন সেতু, যিয়ে বিদেশত থকা প্ৰজন্মক নিজৰ মাটিৰ সৈতে সংযুক্ত ৰাখিছিল। তেওঁৰ সংগীতৰ মাজত আছিল অনুভৱ, শক্তি আৰু গৌৰৱ-যিয়ে ইউৰোপৰ প্ৰতিটো অসমীয়াৰ ঘৰলৈ অসমৰ পৰা সুৰ পঠাইছিল। ইয়াৰ লগতে অনুষ্ঠানত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে বিশেষ সন্মান জনোৱা হৈছে, যাৰ কালজয়ী সংগীতে মানৱতা, ঐক্যতা আৰু ন্যায়ৰ বাৰ্তা দিছে। এইবাৰ অসম মিলন কেৱল পুনৰ মিলন নহয়- ই এক স্মৃতি আৰু সন্মানৰ অনুষ্ঠান হৈ ৰ'ব বুলি উদ্যোক্তাসকলে একেলগ হৈ সংস্কৃতি, ঐতিহ্য আৰু সেই অনন্ত সুৰবিলাক উদ্‌যাপন কৰি সকলোকে অসমীয়া হিচাপে চিনাকি দিছে বুলি কয়। জুবিন গাৰ্গ আৰু ভূপেন হাজৰিকাৰ কণ্ঠই সদায় হৃদয়ত প্ৰতিধ্বনিত হোৱাৰ লগতে তেওঁলোকে আমাক সোঁৱৰাই দিয়ে যে আমি য'তেই নাথাকোঁ কিয়, আমি এক যৌথ পৰিয়াল, একেটি সুৰ, তাল, লয়ৰ লগত জড়িত অসমৰ প্ৰতিচ্ছবি।

# অসম চৰকাৰৰ শুশ্ৰূষা সেতুৰ উদ্যোগত হাজো শুৱালকুছি সমষ্টিৰ ৰামদিয়াত বৃহৎ স্বাস্থ্য মেলাৰ সফল সমাপ্তি



**ৰমেন ভৰালী, বংশৰ ঃ** অসম চৰকাৰৰ শুশ্ৰূষা সেতুৰ উদ্যোগত অসমৰ সমগ্ৰ সমষ্টি ভিত্তিত যি বৃহৎ স্বাস্থ্যমেলা শিবিৰ অনুষ্ঠিত কৰা হৈছে তাৰে ভিত্তিত যোৱা ২৫ অক্টোবৰত হাজো-শুৱালকুছি সমষ্টিৰ বৃহৎ স্বাস্থ্য মেলাখন কামৰূপ জিলাৰ ৰামদিয়া বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়ত অনুষ্ঠিত কৰা হয়। এই স্বাস্থ্য শিবিৰত তিনিহাজাৰো অধিক ৰোগীক চিকিৎসা সেৱা প্ৰদান কৰাৰ লগতে দুশগৰাকীতকৈ অধিক ৰোগীক উন্নত চিকিৎসাৰ বাবে উন্নত হাস্পতাললৈ প্ৰেৰণ কৰা হয়। এই শিবিৰত পঞ্চল্লিচ গৰাকী চিকিৎসকে চিকিৎসা সেৱা আগবঢ়ায়। হাজো শুৱালকুছিৰ স্বাস্থ্য কৰ্মী, এ এন এম, জি এন এম আৰু এন এইচচ এমৰ কৰ্মচাৰীসকলৰ লগতে অন্যান্ন স্বাস্থ্যকৰ্মী সকল স্বাস্থ্য সেৱা কাৰ্যত নিয়োজিত হয়। এই বৃহৎ স্বাস্থ্য মেলাৰ দ্বাৰ উদ্‌ঘাটন কৰে স্থানীয় বিধায়িকা মাননীয়া সুমন হৰিপ্ৰিয়া আৰু কামৰূপ জিলা আয়ুক্ত মাননীয় দেৱকুমাৰ মিশ্ৰই। ইয়াৰ পিছতে জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰা হয়। সমস্বৰে পৰিৱেশন কৰা হয় জুবিনৰ অমৰ সংগীত 'মায়াবিনী'। ইয়াৰ পিছতে জাতীয় সংগীত পৰিৱেশন কৰি মুকলি সভা আৰম্ভ কৰা হয়। মুকলি সভাত স্বাস্থ্য সঞ্চালক উমেশ ফাংচ' বিধায়িকা সুমন হৰিপ্ৰীয়া, কামৰূপ জিলাৰ আয়ুক্ত দেৱ কুমাৰ মিশ্ৰ, অতিৰিক্ত আয়ুক্ত মুনমি কলিতা, যুটীয়া সঞ্চালক অজিত দাস, ভাৰতীয় জনতা পাৰ্টীৰ চিকিৎসা কোষৰ অধ্যক্ষ ডাক্তৰ বেদব্ৰত পাঠক, যুৱ নেতা মৃদুল মালাকৰ, প্ৰাক্তন ছাত্ৰ নেতা তথা যুৱ নেতা প্ৰকাশ দাসকে ধৰি অনেক গণ্যমান্য ব্যক্তি উপস্থিত থাকে। ভাষণ প্ৰসংগত বক্তা সকলে এই স্বাস্থ্য মেলাখন এখন সফল স্বাস্থ্য মেলা হোৱা বুলি কয়। মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ দুৰদৰ্শী চিন্তাৰ ফচল হিচাপে পৰিগণিত হোৱা স্বাস্থ্যমেলা সমূহৰ পৰা ৰাইজে পৰম উপকাৰ পোৱা বুলি উল্লেখ কৰে। সভাত বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে এটি সমৱেত সংগীত পৰিৱেশন কৰাৰ উপৰিও হাজো হাস্পতালৰ কৰ্মচাৰী চাইদুৰ ৰহমানে বৰগীত পৰিৱেশন কৰি দৰ্শক ৰাইজক আপ্লুত কৰে। আদৰণি ভাষণ প্ৰদান কৰে হাজো খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ মহকুমা স্বাস্থ্য আৰু চিকিৎসা বিষয়া ডাঃ গৌৰাঙ্গ দাসে। শলাগৰ শৰাই আগবঢ়ায় কামৰূপ জিলাৰ মুখ্য চিকিৎসা বিষয়া ডাঃ দীপক চন্দ্ৰ দাসে। শেষত ৰাষ্ট্ৰীয় সংগীত পৰিৱেশন কৰি সভা সামৰণি ঘোষণা কৰা হয়।

# নগাঁৱৰ জংগম বহুমুখী সমবায়ৰ গণশিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি

## মৰমৰ শিল্পীজনৰ ন্যায়ৰ দাবী

**জয়ন্ত মুদৈ, নগাঁও ঃ** অসমীয়াৰ হিয়াৰ আমঠু গণশিল্পী জুবিন গাৰ্গৰ সন্দেহজনক মৃত্যুয়ে ইতিমধ্যে এমাহ অতিক্ৰম কৰিলে। মৰমৰ শিল্পীজনৰ মহাপ্ৰয়াণত আৱেগিক হৈ পৰা জনতাই মৃত্যুৰ প্ৰকৃত সত্য জানিবৰ বাবে উৎসুকতাৰে বাট চাই ৰোৱাৰ সমান্তৰালভাৱে আপোন শিল্পীজনৰ প্ৰতি প্ৰান্তে শ্ৰদ্ধাঞ্জলি জনাই আহিছে। তদুপৰি প্ৰতিদিনে ৰাজ্যৰ বিভিন্ন দল-সংগঠনৰ লগতে ব্যক্তি বিশেষে অসমৰত্ন জুবিন গাৰ্গৰ সমাধি ক্ষেত্ৰলৈ আহি প্ৰাণৰ শিল্পীজনৰ প্ৰতি শ্ৰদ্ধা নিবেদি আহিছে। ইয়াৰ মাজতে দেওবাৰে নগাঁৱৰ অন্যতম কৃষি আৰু মহিলাৰ সবলীকৰণ ক্ষেত্ৰত অগ্ৰণী ভূমিকা ৰূপায়নৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰি অহা সামাজিক সংগঠন জংগম বহুমুখী সমবায়ে সোণাপুৰৰ জুবিন ক্ষেত্ৰলৈ গৈ সংগীতৰ ভগৱানৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। ইতিমধ্যে, জুবিন গাৰ্গৰ মৃত্যুৰ দিনৰে পৰা শিল্পীজনৰ প্ৰতি নিৰৱচ্ছিন্নভাৱে নানা প্ৰকাৰৰ কাৰ্যক্ৰমণিকাৰে শ্ৰদ্ধা নিবেদি অহা সামাজিক সংগঠনটোৱে মৰমৰ শিল্পীজনৰ ন্যায়ৰ দাবী জনোৱাৰ লগতে পৰৱৰ্তী পৰ্যায়ত বিভিন্ন প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণৰ কথা অৱগত কৰিছে। এই কাৰ্যসূচীত সংগঠনটোৰ সভাপতি ৰাজীৱ হাজৰিকা, সম্পাদক ভূপেন নাথ, কাৰ্যকৰী সভাপতি অনন্ত দাস, উপদেষ্টা উপেন বৰাকে প্ৰমুখ্য কৰি ববিতা দেৱী, জুমি মুদৈ, অনিমা দেৱী, মমী হাজৰিকা, মিতালী দাস, কেশৱ বৰুৱা, অতুল বৰদলৈ, ৰাজু ডেকাকে ধৰি সংগঠনটোৰ সকলো বিষয়ববীয়া উপস্থিত থাকে।

# ডিব্ৰুগড়ত নব্য জাগৰণ সৃষ্টিশীল সংস্থা 'নেক'ৰ উদ্যোগত জিলা ভিত্তিক চতুৰ্থ বাৰ্ষিক 'হৰি নাম' প্ৰতিযোগিতা




**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড় ঃ** ডিব্ৰুগড় জিলাৰ অন্যতম স্বেচ্ছাসেৱী অনুষ্ঠান নব্য জাগৰণ সৃষ্টিশীল সংস্থা 'নেক' ৰ সাংস্কৃতিক বিভাগৰ উদ্যোগত আৰু জামিৰা ৰৌমাৰী দিহিঙীয়া গাঁৱৰ সমূহ ভক্তপ্ৰাণ ৰাইজৰ সহযোগত অহা ইংৰাজী ৯ নবেম্বৰ দেওবাৰে ডিব্ৰুগড় জিলা ভিত্তিত চতুৰ্থ বাৰ্ষিক 'হৰি নাম'ৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছে। পুৱা ৮-৩০ বজাত বন্তি প্ৰজ্বলনেৰে মঞ্চ মুকলি, ৯-০০ বজাত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান, ৯-৩০ বজাত ভাগৱত স্থাপন আৰু শৰাই প্ৰতিষ্ঠা, ১০-৩০ বজাত প্ৰতিযোগিতা আৰম্ভ, ৩-৩০ বজাত প্ৰসাদ বিতৰণ আৰু ৪-০০ বজাত বঁটা বিতৰণী। উদ্যোক্তাসকলে ইচ্ছুক প্ৰতিযোগী দলসমূহৰ উপৰিও সকলো ভকতবৈষ্ণৱক অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। প্ৰতিযোগী দলসমূহত অতিকমেও সাত (৭)জন নামাচাৰ্যসহ আৰু সৰ্বাধিক দহ (১০) জন নামাচাৰ্যসহ ভকত বৈষ্ণৱে অংশগ্ৰহণ কৰিব পাৰিব। প্ৰতিযোগিতাৰ সবিশেষ নিয়মাৱলী প্ৰ-পত্ৰত উল্লেখ কৰা হৈছে। প্ৰতিযোগিতাৰ বিজয়ী দলসমূহক একাদিক্ৰমে প্ৰথম, দ্বিতীয়, তৃতীয় আৰু শ্ৰেষ্ঠ নামাচাৰ্য আৰু নগদ ধনৰে পুৰস্কৃত কৰা হ'ব। ইচ্ছুক দলসমূহে উল্লেখিত ম'বাইল নম্বৰত আগতীয়াকৈ যোগাযোগ কৰি অনুষ্ঠানৰ তিনিদিন পূৰ্বে যোগদানৰ নিশ্চিত প্ৰদান কৰিবলৈ অনুৰোধ জনাইছে উদ্যোক্তা সকলে। সবিশেষ জানিবলৈ ৮৭২১০-৭৯২৪২ (মুখ্য সচিব), ৬৯০০৮-০১৪৭৪ (সাংস্কৃতিক সচিব) নম্বৰত যোগাযোগ কৰিব পাৰিব।

# চাৰিঙৰ শ্বহীদ মণিৰাম দেৱান মহাবিদ্যালয়ত ছাত্ৰীসকলক মুখ্যমন্ত্ৰী নিযুত মইনা ২.০ আঁচনিৰ চেক বিতৰণ




**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** চাৰিঙৰ শ্বহীদ মণিৰাম দেৱান মহাবিদ্যালয়ত যোৱা ২৭ অক্টোবৰ, সোমবাৰে মুখ্যমন্ত্ৰী নিযুত মইনা আঁচনিৰ চেক বিতৰণ কৰা হয়। ঐতিহ্যমণ্ডিত শিৱসাগৰ জিলাৰ অন্তৰ্গত চাৰিঙৰ শ্বহীদ মণিৰাম দেৱান মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অসম চৰকাৰৰ পৃষ্ঠপোষকতাত নিযুত মইনা ২.০ কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। উল্লেখযোগ্য যে, আঁচনিৰ সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষামন্ত্ৰী ড° ৰণোজ পেগুৱে অনুভৱ ব্যক্ত কৰা অনলাইন কাৰ্যসূচীৰ অন্তত মহাবিদ্যালয়ত ছাত্ৰীসকলক চেকসমূহ বিতৰণ কৰা হয়। শ্বহীদ মণিৰাম দেৱান মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিদ্যানন্দ বৰকাকতীয়ে আদৰণি ভাষণ প্ৰদান কৰা অনুষ্ঠানটোত জিলা পৰিষদৰ সদস্য হৰে কৃষ্ণ নেওগ মুখ্য অতিথি হিচাপে উপস্থিত থাকে। নিযুত মইনা ২.০ আঁচনিৰ সমন্বয়ক অধ্যাপিকা জোন্টি দাসে আঁত ধৰা অনুষ্ঠানটিত হিতাধিকাৰী ছাত্ৰীসকলৰ মাজত চেক বিতৰণৰ জৰিয়তে কাৰ্যসূচীৰ সফল সামৰণি পৰে।

# ই ভি নিযুক্তিৰ নামত ধন সংগ্ৰহৰ অভিযোগত লাওখোৱা শিক্ষাখণ্ডৰ চাৰি কৰ্মচাৰীক গ্ৰেপ্তাৰ

**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁও জিলা সৰ্বশিক্ষা অভিযানৰ অধীনত কৰ্মৰত চাৰিগৰাকী কৰ্মচাৰী আৰক্ষীৰ জালত পৰা কাৰ্যই নগাঁৱত চাঞ্চল্যৰ সৃষ্টি কৰিছে। সৰ্বশিক্ষা অভিযানৰ অধীনত বিভিন্ন শিক্ষাখণ্ডত ইটাভাটা কৰ্মৰত পিতৃ-মাতৃৰ সৈতে অহা বিভিন্ন অঞ্চলৰ শিশুক শিক্ষা প্ৰদানৰ বাবে শিক্ষা স্বেচ্ছাসেৱক (Education Volunteer চমুকৈ EV) নিযুক্তি দিয়া হয়। এই ই ভি নিযুক্তিক কেন্দ্ৰ কৰি নগাঁও জিলাৰ লাওখোৱা শিক্ষাখণ্ডত সংঘটিত হৈছে দুৰ্নীতি ,অনিয়ম আৰু ধন সংগ্ৰহ। শিক্ষাখণ্ডটোৰ ডি কিউ এম (Data Quality Manager চমুকৈ DQM) পল্লৱী শইকীয়াই তিনিগৰাকী ই ভিৰ সহযোগত বহুকেইজন ই ভিৰ পৰা চাকৰি দিয়া আৰু মাহিলী দৰমহা আদায় দিয়াৰ নামত ধন সংগ্ৰহ কৰি আহিছিল। জাকাৰীয়া আলি আহমেদ নামৰ ই ভি গৰাকীয়ে এই সন্দৰ্ভত সৰ্বশিক্ষা অভিযান মিছনৰ নগাঁও জিলা মিছন সমন্বয়কৰ ওচৰত তথ্য সহকাৰে অভিযোগ দাখিল কৰিছিল আৰু প্ৰতিলিপি জিলা আয়ুক্তক দাখিল কৰে।এই অভিযোগ পোৱাৰ পিছত জিলা আয়ুক্তই সমগ্ৰ বিষয় তদন্ত কৰি জিলা আৰক্ষী অধীক্ষকক ব্যৱস্থা গ্ৰহণৰ বাবে আহ্বান জনায়। এই সন্দৰ্ভত নগাঁও সদৰ আৰক্ষী থানাত নগাঁও আৰক্ষীয়ে ভাৰতীয় ন্যায় সংহিতা আইনৰ 61(2)/316(5) 796/25 নম্বৰত এক গোচৰ ৰুজু কৰি তদন্ত প্ৰক্ৰিয়া আগুৱাই নিয়ে। এই তদন্তৰ আত ধৰিয়েই নগাঁও সদৰ আৰক্ষী থানাৰ আৰক্ষীয়ে যোৱা নিশা শিক্ষাখণ্ডটোৰ ডি কিউ এম পল্লৱী শইকীয়া, ই ভি খাইৰুল ইছলাম, নজৰুল ইছলাম আৰু মোজাম্মিল হকক গ্ৰেপ্তাৰ কৰে। অৱশ্যে ডি কিউ এম পল্লৱী শইকীয়াই স্বাস্থ্যৰ দোহাই দি এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে। আৰক্ষীয়ে অধিক তথ্য আহৰণৰ বাবে ধৃত তিনি ই ভিক জেৰা অব্যাহত ৰাখিছে।


# বিহাৰত নিৰুদ্দেশ ৰহাৰ যুৱক



**লক্ষ্যজ্যোতি বৰা ঃ** ৰহা সমষ্টিৰ ঘাঁহী গাঁও পঞ্চায়তৰ অন্তৰ্গত উত্তৰ পেটবড়া গাঁৱৰ চক্ৰধৰ বৰাৰ পুত্ৰ সঞ্জীৱ বৰা (৩৫)ই মধ্যপ্ৰদেশত কাম কৰিবলৈ যোৱা বিশ অক্টোবৰ তাৰিখে চাপৰমুখ ষ্টেচনৰ পৰা ৰে'লেৰে ৰাওনা হৈ ২১ অক্টোবৰ তাৰিখে দিনৰ ১১ বজাত বিহাৰৰ দানাপুৰ ষ্টেচনত লঘু আহাৰ গ্ৰহণ কৰিবলৈ নমাৰ সময়তে পত্নী ৰশ্মিতা বৰালৈ ফোন কৰি কোনোবাই তেওঁক অনুসৰণ কৰা বুলি সন্দেহ ব্যক্ত কৰে। নিশা ন বজালৈকে পত্নীৰ সৈতে ফোনত যোগাযোগত থকা সঞ্জীৱ বৰাই নিশা এঘাৰ বজাত পুনৰ পত্নীলৈ ফোন কৰে যদিও পত্নী শুই পৰাত পুৱা সাৰ পাই ফোন কৰে আৰু সঞ্জীৱ বৰাৰ ফোন চুইটচ অফ পাই আৰু ৰাতিপুৱা অৰ্থাৎ ২২ অক্টোবৰ তাৰিখে পুৱা প্ৰায় ৬ বজাৰ পাছত পত্নীয়ে ফোন কৰাত চুইটচ অফ পায়। ২২ অক্টোবৰ তাৰিখৰ দিনা পিতৃয়ে চাপৰমুখ জংচনৰ আৰক্ষীক এজাহাৰ দিয়ে আৰু ৰে'লৱে আৰক্ষীৰ নিৰ্দেশমতে ২৩ অক্টোবৰ তাৰিখে ৰহা আৰক্ষী চকীত এজাহাৰ দিয়ে। সঞ্জীৱ বৰাৰ ফোন নম্বৰ ৭০২৮৩-১৪৮৭০। কোনো সদাশয় ব্যক্তিয়ে নিৰুদ্দেশ ব্যক্তিজনৰ খবৰ পালে পৰিয়ালৰ ৬০২৬০-১৭৫১৫ আৰু ৮৪৫৩৬-০৫২৩৭ এই নম্বৰত জনাবলৈ পৰিয়ালে কৰযোৰে অনুৰোধ জনাইছে। বাতৰি লিখা পৰলৈকে সঞ্জীৱ বৰাৰ সন্ধান পোৱা হোৱা নাই।

# নগাঁৱৰ ৰাইদঙীয়াত বেজালিৰে সমাজত অন্ধ বিশ্বাস বিয়পোৱা ভুৱা তান্ত্ৰিক আটক

**জয়ন্ত মুদৈ, নগাঁওঃ** বৰ্তমান সময়ত সৰ্বসাধাৰণ ৰাইজক ঠগ-প্ৰৱঞ্চনাৰে আভুৱা-ভাৰি দুষ্ট প্ৰকৃতিৰ এচাম লোকে সমাজত অন্ধ বিশ্বাসৰ বিষবাষ্প বিয়পাই সহজে ধন ঘটনাৰ পন্থা অৱলম্বন কৰি আহিছে। ঘাইকৈ গ্ৰামাঞ্চলৰ সহজ-সৰল ৰাইজক চলাহি কথাৰে অন্ধ বিশ্বাসৰ গইনা লৈ নিজৰ আয়ত্তলৈ আনি এই চাম দুষ্ট প্ৰকৃতিৰ লোকে প্ৰৱঞ্চনা কৰি অহাৰ ঘটনা প্ৰায়েই সংঘটিত হৈ আহিছে। ইয়াৰ মাজতে নগাঁও জিলাৰ জাজৰি আৰক্ষী থানাৰ এলেকাধীন ৰাইদঙীয়াত বেজালিৰ আশ্ৰয় লৈ সৰ্প সম্পৰ্কে ভুৱা ধাৰণাৰে গএঃা ৰাইজৰ মাজত অন্ধ বিশ্বাস বিয়পোৱা এজন লোক কৰায়ত্ত হোৱা ঘটনাই ৰাইজৰ মাজত ব্যাপক চাঞ্চল্যৰ সৃষ্টি কৰিছে। ধৃত লোকজন ফাৰুক ওজা বুলি জানিব পৰা গৈছে। আচলতে, অসমৰ বৃহৎ সৰ্প উদ্ধাৰকাৰী দল হিচাপে পৰিচিত 'সৰ্প বান্ধৱ সৌৰভ বৰকটকী টীম'ৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত চকলাঘাটৰ সৰ্প বন্ধু ভাস্কৰ বৰাৰ বিশেষ তৎপৰতাত আৰক্ষীয়ে কৰায়ত্ত কৰে এই ভুৱা তান্ত্ৰিকটোক। প্ৰাপ্ত খবৰ মতে, ধৃত




লোকজনে নগাঁও জিলাৰ পশ্চিম প্ৰান্তৰ গ্ৰামাঞ্চলত দীৰ্ঘদিনৰে পৰা বেজ-বেজালিৰ গইনা লৈ সৰ্প সম্পৰ্কে ভুৱা ধাৰণাৰে জনসাধাৰণৰ মাজত অন্ধ বিশ্বাস বিয়পাই আহিছিল। পিছে এই বিষয়ে বৃহস্পতিবাৰে ৰাইদঙীয়া অঞ্চলৰ দুজন প্ৰকৃতিপ্ৰেমী যুৱক অৰ্পণ বৰা আৰু অংকু হাজৰিকাই সৰ্পবন্ধু ভাস্কৰ বৰাক অৱগত কৰাত সৰ্পবন্ধু ভাস্কৰ বৰাই 'সৰ্প বান্ধৱ সৌৰভ বৰকটকী টীম'ৰ মুখ্য উপদেষ্টা অধ্যাপক সৌৰভ বৰকটকীৰ পৰামৰ্শ মতে উক্ত স্থানত উপস্থিত হৈ ব্যক্তিজনক জবাবদিহি কৰে। কিন্তু তান্ত্ৰিক বুলি চিনাকী দিয়া ব্যক্তিজনে সৰ্প বিষয়ক লৈ অন্ধবিশ্বাস বিয়পাই অহাৰ বিষয়ে কোনো সুদুত্তৰ দিব নোৱাৰি ব্যক্তিজনে চালে-বেৰে কোবাই বিভিন্ন অৰ্থহীন কথাহে কৈ থকাত স্থানীয় জাজৰি থানাৰ আৰক্ষীক খবৰ দিয়া হয়। পিছত আৰক্ষী উপস্থিত হোৱাত সৰ্পবন্ধু ভাস্কৰ বৰাই স্থানীয় গাঁও প্ৰধান অঞ্জনজ্যোতি নাথৰ সহযোগত লোকজনক আৰক্ষীক গতাই দিয়ে বুলি জানিব পৰা গৈছে।

# সাহিত্যৰ বাটত এখোজ আগুৱাই দিয়াৰ চেষ্টা

■ **অৰ্ণৱ কটকী**

জাঁজী যোৰহাট জিলা

সাহিত্যৰ খবৰ (অসমীয়া সাহিত্য সংস্কৃতি বিকাশ মঞ্চৰ) গোট, এটা নাম নহয় এক অনুষ্ঠান। দৈনিক ভিন ভিন কাকতত WhatsApp গোটৰ জৰিয়তে ন পুৰণি বহু লেখকৰ লেখা কাকতত প্ৰকাশ কৰাৰ সুবিধা কৰি দিয়া এই গোটৰ শ্ৰদ্ধাৰ ব্যক্তিসকলৰ অৱদান অপৰিসীম। তেওঁলোকৰ কষ্ট, ত্যাগৰ মূলতে নৱ নৱ লেখক-লেখিকাসকলৰ লগতে আন আন বিষয়তো অৱগত হ'ব পাৰিছে।

এখন সুকীয়া মঞ্চ, অনুপ্ৰেৰণা, উৎসাহৰ এখন বহল সাগৰ। অনাগত সময়ত আৰু অধিক নৱ প্ৰজন্ম সাহিত্যৰ ভঁৰাল সমৃদ্ধ কৰাৰ বাবে নিশ্চয়কৈ আগবাঢ়ি আহিব। মইও এই মঞ্চৰ দ্বাৰা অনুপ্ৰাণিত তথা ভিন ভিন কাকতত প্ৰকাশ কৰাৰ সুবিধা লাভ কৰিছোঁ। আহক আমি সকলোৱে ইজনে সিজনৰ সহায় হৈ আগুৱাই যাওঁ। শেষত এই গোটৰ লগতে শ্ৰদ্ধাৰ প্ৰতিজন ব্যক্তি, এই গোটত নিজৰ বহুমূলীয়া সময় দি আমাক কৃতাৰ্থ কৰা মুখ্য উপদেষ্টা, প্ৰকাশকলৈ আন্তৰিক ধন্যবাদ আৰু শ্ৰদ্ধা জনালোঁ।

## মই জুবিনে কৈছো

**টোলন তছা,**
চিকনী বৰহোলা, নগাঁও

মই জুবিনে কৈছো
ঘেন্টা মই কাকো খাতিৰ নকৰোঁ
ধনীৰ স'তে বন্ধুত্ব কেতিয়াও নাপাতিলোঁ
বাটে পথে ফুটপাথে মনৰ ধনী মানুহৰ স'তে
কত যে আড্ডা মাৰি ফুৰিলোঁ।
চৰাই চিৰিকটি কুকুৰ মেকুৰী
কাৰ স'তে বন্ধুত্ব পতা নাছিলোঁ
মনৰ বাঘ আঁতৰাই মই বনৰ বাঘো পুহি চালোঁ
মোৰ শব্দ আৰু সুৰৰ মায়াৰে
সমগ্ৰ জগতক মন্ত্ৰমুগ্ধ কৰিলোঁ
অনাই বনাই ঘূৰি ফুৰি বনৰীয়া হ'লো
ঘেন্টা,মই কাকো খাতিৰ নকৰোঁ।
বৰগীত গালোঁ মই আধুনিকো গালোঁ
সুখ-দুখ জীৱন-যৌৱন মৃত্যু সকলোৰে গীত গালোঁ
নানা ভাষাত হাজাৰ হাজাৰ কথাত
মোৰ সুৰীয়া কণ্ঠ নিগৰালোঁ
অৰণ্ডে দৰণ্ডে ঘূৰি ফুৰি কৰবাত খুঁটাত বগালোঁ
ধৈৰ্যৰ সীমা চেৰাই যাওঁতে ক'ৰবাত পাগলামিও কৰিলোঁ
নাজানো মই জীৱন নাটত কত কি ভুল কৰিলোঁ
আৰু কাৰ বাবে কিমান ভাল কৰিলোঁ
কিন্তু মই জানো শত সহস্ৰজনৰ হৃদয়
মোৰ গানেৰে জীপাল কৰিলোঁ
আই অসমীৰ বুকুত সংগীতৰ নতুন জোৱাৰ তুলিলোঁ
সংগীতৰ বাবেই মই উৰণীয়া হ'লোঁ
হেৰৌ, জীৱন্তেতো বাদেই মৃত্যুৰ পিছতো
আকাশ বতাহ কঁপাই দিলোঁ
ঘেন্টা,মই কাকো খাতিৰ নকৰোঁ।
**ম'বাইল ঃ** ৮৪৮৬০-৬৮৩৯০



## সেমেকা পোহৰৰ উৎসৱ

**আয়েশা ছিদ্দিকা (আছৰি)**
বাংলিপাৰা, বৰপেটা

চাকি জ্বলিব এক আকুল
আৰাধনাৰ ভেটি হৈ
পোহৰৰাই তুলিব
ৰশ্মিৰ কণাবোৰে
সমগ্ৰ ঠাইৰ সমগ্ৰ চুক
তথাপি জয়াল।
তথাপি অন্ধকাৰ।
তথাপি হাহাকাৰ।
নাই উৎসৱত নাই কোনো
আনন্দ, উল্লাস, হেঁপাহ
এবুকু মৰ্ম বিষাদ
পান কৰি কৰি
আকাশবন্তিও জ্বলিছে
উমি উমি সুস্থিৰে
উকা উকা ডাৱৰীয়া মনৰ
সেমেকা বতৰত
এক নিৰ্জনতা।
এক নিস্তব্ধতা।
এক বিষাক্ত নীৰৱতা।
পোহৰৰ উৎসৱ হ'ব
আতচবাজি নোহোৱাকৈ
এক আৱেগৰ স্ৰোত বৈ
আপোনজন হেৰুওৱাৰ যন্ত্ৰণা লৈ
শূণ্য হৃদয়ত এক গভীৰ
দীৰ্ঘ হুমুনিয়াহ এটা কাঢ়ি।
নাই আনন্দ নাই।
নাই মাদকতাও নাই।
প্ৰদীপৰ পোহৰেও যেন
আলোকিত কৰিব পৰা নাই
শত শত হৃদয়ৰ অন্ধকাৰ...।
**ম'বাইল ঃ** ৯৩৬৫৬-৮১৯৬৮

## জুবিনৰ আত্মাৰ শান্তি কামনাৰে

**বিপিন চন্দ্ৰ বৰা,** গুৱাহাটী

মায়াৰ সংসাৰ
এৰি গুচি গ'ল
সিদিনা সমগ্ৰ অসমবাসীক কন্দুৱাই,
অকথ্য বেদনাৰ
শোক সাগৰত
আজিও আছে অসমবাসী ডুব যায়।
অসমীয়াৰ প্ৰাণৰ
সঙ্গীত শিল্পী জুবিন
গুচি গ'ল অজানিতে অজান দেশলৈ,
নাপাওঁ আৰু দেখা
নাহে দুনাই ঘূৰি
কেতিয়াও জুবিন আমাৰ কাষলৈ।
থাকি গ'ল মাথোঁ
জুবিনৰ সুমধুৰ
গীতৰ ধ্বনিবোৰ আমাৰ অন্তৰত,
নোৱাৰিম আমি
পাহৰিব জুবিনক
জীয়াই থাকো মানে সংসাৰত।
জুবিনৰ মৃত্যুৰ
নামত কৰি আছে
এতিয়া এচামে অসমত ৰাজনীতি,
অসমীয়াৰ শত্ৰুৱে
উঠি পৰি লাগিছে
অশান্ত কৰিবলৈ অসমৰ পৰিস্থিতি।
জীয়াই থাকোঁতে
আছিল সিহঁতে
জুবিনৰ বিৰুদ্ধ আচৰণ কৰি,
মৃত্যুৰ পিছত
আপোন হৈ আছে
এতিয়া জুবিনৰ নামত চিঞৰি।
মৃত জুবিনৰ
নামত কোনেও
কৰিব নালাগে ৰাজনীতি ভাই,
ঈশ্বৰৰ ওচৰত
কৰো আঁহা প্ৰাৰ্থনা
যাতে জুবিনৰ আত্মাই শান্তি পায়।
কৰযোৰে মাথোঁ
কৰিলোঁ প্ৰাৰ্থনা
পৰম-পিতা পৰমেশ্বৰৰ ওচৰত,
জুবিনৰ আত্মাই
চিৰ-শান্তি লাভ
কৰক অজান ৰহস্যৰ সংসাৰত।

## প্ৰেমৰ পিয়লা

**ৰূপালী গগৈ চুতীয়া**
ডিব্ৰুগড়

তোমাৰ বুকুৰ সুহুৰিত
মোৰ উশাহটি সুৰ হোৱা হ'লে
মোৰ হেঁপাহৰ মৰমবোৰ
সঁপি দিলোঁহেঁতেন
তোমাৰ কলিজাত।
কঁকালৰ কোমল ভাঁজত
জিলিকি থকা ঘামৰ নাম
তুমি হোৱা হ'লে
আঁকি ল'লোহেঁতেন
অমানিশা আঁতৰাই দিয়া
ৰামধেনুৰ ৰং দুআঙুল কপালত।
আহা না এবাৰ শুনি চাওঁ
হৃদয়ৰ আকুলতাৰ গান
এবাৰ চলাই চাওঁ
জীৱন নামৰ বঠাহীন টুলুঙা নাও,
এবাৰৰ বাবে পাহৰি যাওঁ
নিয়মে আৱৰা সমাজৰ ভাষা
প্ৰাণ ভৰি জী চাওঁ প্ৰেমৰ পিয়লাত
সাঁতুৰি সোমাই চাওঁ তোমাৰ হিয়াত
তোমাৰ হিয়াত।



## চিৰ নতুন নীৰৱতাত ঃ জুবিন-শ্ৰদ্ধাৰে এটি গীত

**গুপ্তজিৎ পাঠক**
গীতানগৰ মহাবিদ্যালয়

চিৰ নতুন নীৰৱতাত, জোনাক হৈ ৰোৱা জুবিন
শব্দৰ মিশ্ৰণত, তুমি যেন চিৰ নবীন
চকুত তোমাৰ হেজাৰ আলোক, হৃদয়ত সপোন প্ৰকাশি
প্ৰকৃতি প্ৰেমৰ বুকুত, যেন তুমিয়ে নিৰৱধি
বতাহে কঢ়িয়াই আনে, অনাবিল কৰ্মৰ সুবাস
হিয়াত বাজে, জীৱন যৌৱনৰ আভাস
সপোনৰ ৰঙীন বাটে, তুমি মোৰ অজান চিনাকী
কঁপি কঁপি উঠে মাত, আখৰৰ ভাঁজত কবিতা এটি
কথা সুৰে তোলে গঢ়ি, অনুভৱৰ বাঁহীৰ সুৰ
নীৰৱতাত অজুত আবেদন, তুমি যেন মোৰ বহুদূৰ
সোণালী বেলিৰ, ছায়াৰ ওৰণিত থাকে কতনা সাঁচ
মায়াময় অনুভূতিতেই তোমাৰ জীৱন সাজ।
**ম'বাইল ঃ** ৯০৮৫০-৮৪২৭৫

## প্ৰত্যয়

**হেৰম্ব নাথ**

প্ৰতিজন পুৰুষৰে আছে
বিষাক্ত দাঁত
সুবিধা পালেই দংশন কৰে
সময়ৰ আৰ্তনাদ
প্ৰতিজন পুৰুষেই কাপুৰুষ
আৰু
প্ৰতিজন বিবাহিত পুৰুষেই পাপী
শাশ্বত সত্যৰ প্ৰত্যয়ত
প্ৰতিজনী নাৰীয়েই অভিনেত্ৰী
সহজাত চকুলো সিহঁতৰ দিব্যাস্ত্ৰ
নাৰী যদিও তুমি বিভূষিতা
পুৰুষৰ অৰ্দ্ধাংগীনী বুলি
কিন্তু তুমি স্বাৰ্থপৰ
অবিশ্বাসী তুমি
দ্ৰৌপদীৰ গুপ্তপ্ৰেম
কুন্তীৰ কল্মষ
যুগে যুগে নিন্দিত।
দেৱতা তুমিও নিলাজ
পৰস্ত্ৰী লুভীয়া
তোমাৰ বাবেই অভিশপ্ত
ঋষি পত্নী অহল্যা
মানুহ ঃ
তোমাৰ অৱয়বটোত
অৰ্দ্ধাংশহে মানুহৰ
উপস্থিতি বিদ্যমান
বাকী অৰ্দ্ধাংশ যেনিবা অসুৰৰ।
তথাপি আমি
সত্য-শিৱ-সুন্দৰৰ সাধক।
**ম'বাইল ঃ** ৭০০২৭-৯৭৫৪০

## সমীৰণ

**কাকলি কুমাৰী,** হাজো

মোৰ প্ৰেমৰ বতাহ সমীৰণ
তুমি নামেই যেন এটি কোমল গান,
বুকুৰ গভীৰ তন্তুত বাজি উঠে সোণালী সুৰত।
তুমি অহাৰ লগে লগে মৰমৰ এটি হালধীয়া পখিলা,
মোৰ মনৰ ফুলনি-বনত বিয়পি পৰে।
তুমি যেতিয়া হাঁহা-
বতাহো যেন লাজু মাধুৰ্যত থমকি ৰয়।
চকু মেলিলে চাওঁ তোমাৰেই ছবি-
সপোনবোৰৰ আঁচলত তুমি ছবি হৈ থাকা।
তুমি নাথাকিলেও
বতাহৰ মাজে মাজে থাকি মোক অনুভৱ দিবা।
জানো-এই সমীৰণটো তুমি,
মোৰ ওঁঠৰ পৰা ওলাই যোৱা এটি মৰমৰ নাম।
সঁচা কবি নহ'লেও আজি কবিতা ৰচিছোঁ,
কাৰণ প্ৰেমতে মই পাগল,
আৰু তুমি মোৰ প্ৰেম -
সমীৰণ, মোৰ হৃদয়ৰ নিঃশব্দ বতাহ।
**ম'বাইল ঃ** ৮৪৫৩৮-১৭৯৮০

## আহিনৰ সুৱাস

**ৰীতা গগৈ বৰা,** ডিব্ৰুগড়

আহিনৰ সুবাসে কি সুৰ আনে
মতলীয়া কৰে সেউজীয়া গোন্ধে, দূৰৈৰ সেউজীয়া
পাহাৰৰ কাষেৰে বৈ অহা নদীৰ কুলু কুলু সুৰে,
কহুৱাৰ হালি জালি নাচোনে মোক আকুল কৰে।
এটি সেউজীয়া মন লৈ ফুলৰ পাপৰিৰ সৈতে গুচি যাও
আহিনৰ সুবাস সানি

## শৰতৰ অনুভৱ

**বলিন বৰদলৈ**
আলামি, গোলাঘাট

আশাৰ সোণালী সপোন
আহিনৰ সেউজ পথাৰখনে
অহৰ্নিশে কঢ়িয়াই ফুৰে
বিপুল শইচ সম্ভাৱনা কৃষকৰ
কঢ়িয়াই আনে মন মতলীয়া সুবাস ।
বুকুৰ আশাবোৰ সঁজাল ধৰে
শুকুলা মেঘৰ জোন
জীৱন প্ৰেমৰ ঋতু শৰৎ
যৌৱনৰ ঋতু শৰৎ
হৃদয়ে হৃদয়ে উদ্‌যাপিত হয়
ঋতুৰ উৎসৱ। ৰাধা-কৃষ্ণৰ হৃদয়াকুল
জীৱন, যৌৱনো হয় ৰঙীন ও প্ৰাণৱন্ত
সেউজীয়া পথাৰখন ৰঙতে মচগুল।
অনুভূতিয়ে পাহি মেলা হৃদয়ত
নিশাৰ জোনাকে অনুভৱ কৰে পৰম তৃপ্তি
কঁহুৱা কোমল মন হৃদয় শৰৎ
নাচি উঠে প্ৰতিক্ষণত
ঘনঘোৰ তমসা আঁতৰাই
আমন্ত্ৰণ জনাও শাৰদীয় নিবিড়
জোনাক ও হৃদয় শাঁত পৰা মলয়াক।
**ম'বাইল ঃ** ৯৪০১৮-৭৬৭২৮



## অস্পৃশ্য

**প্ৰভাত বণিয়া**

চকু পানীৰে বাট নেদেখা ক্ষণভঙ্গুৰ জীৱনৰ দুখানুভৱ
ধূসৰিত আৱেগ আকাংক্ষা
বুজা নুবুজাৰ ভাৱনাত
এদিন মোৰ সৈতে সংপৃক্ত হৈছিল
সৰ্বজন পৰিত্যক্ত এটা তথাকথিত জয়াল পথ
দুখ যাতনা, গালি শাও শপনিত
দুৰ্বিহ হৈ পৰা নিঠৰুৱা পথটোৰ সৈতে
ক্ৰমে মোৰ সম্পৰ্ক গাঢ় হৈ উঠিছিল
নিৰ্জন নিমাও মাও এই পথেৰে নিৰন্তৰ আহ-যাহ
বিষ এটাই কিলবিলাই ফুৰিছিল মোৰ ভৰিৰ পৰা মূৰলৈ
লোকচক্ষুৰ নিলগত থকা পথ
ভগা ছিগা বোকা পানীৰে ভৰা
দুয়ো কাষে হাবি জঙঘলে আৱৰা
ৰাতি মানুহ নাযায় ভূত প্ৰেত খোজ কাঢ়ি ঘূৰি ফুৰে
দিনত গ'লে সমদল কৰি যায় দূৰণিৰ পথিক
দুখে ভাগৰে, লাজে অপমানে চকু পানীৰে
বাট নেদেখা হয় আপোন পথ
আপোন পথৰ বিননিত হৃদয় কঁপি উঠে
পাণ্ডৱ বৰ্জিত পথ আৰু জৰাজীৰ্ণ,
অৱহেলিত মানুহৰ সুখ-দুখৰ একো প্ৰভেদ নাই
মই পথৰ ক্ষোভৰ উমান লওঁ পথেও
মোৰ বুকুৰ স্তূপীকৃত আৱেগ বুজিবলৈ আগবাঢ়ি আহে
এটা শানিত সপোনে উক্ দিয়ে
এই পথ এদিন মসৃণ হ'ব
ভদ্ৰ সমাজৰ লানি নিছিগা
সোত বব শোভাযাত্ৰাৰে মুখৰিত হ'ব আকাশ বতাহ
দুখিত, শোকাৰ্ত মানুহৰ মুখত
বিৰিঙি উঠিব কষ্টোপাৰ্জিত শতাব্দীৰ হাঁহি
এনেকৈয়ে দুয়ো দুয়োৰো অধিক আপোন হৈ পৰো।

*প্ৰথম পৃষ্ঠাৰ পৰা*

# হিয়াৰ আমঠু হাৰ্টথ্ৰবৰ মহাপ্ৰয়াণ

গৈছিল। প্ৰতিটো চুবুৰীত, প্ৰতিটো চাৰিআলিত, প্ৰতিটো অফিচ, প্ৰতিখন স্কুল-কলেজ, বিশ্ববিদ্যালয়, সংগঠন সকলোতে কেৱল শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আৰু মায়াবিনী। জীৱকুলেও বুজি উঠিছিল সিহঁতৰ আপোনজন হেৰাই গ'ল। লোকে লোকাৰণ্য ৰাজপথেৰে বৰজাৰৰ পৰা সৰু সজাই অভিমুখে যাত্ৰা, একমাত্ৰ সৰু সজাইত হোৱা আবতৰীয়া বৰষুণজাকেও শিল্পী গৰাকীৰ শোকত ম্ৰিয়মান হৈ পৰিল। ৰাতি-দিনৰ পাৰ্থক্য নাৰাখি শিশুৰ পৰা বৃদ্ধ লৈ কেৱল মাত্ৰ মানুহ আৰু মানুহ। শেষকৃত্যৰ দিনাও সোণাপুৰতো গুণমুগ্ধসকলৰ বি দি বাট বিচাৰি নোপোৱা অৱস্থা। কেৱল মানুহ জাতি-ধৰ্ম নিৰ্বিশেষে সকলোৱে একত্ৰিত হৈ মায়াবিনী গায় তেখেতৰ শেষকৃত্য সম্পন্ন কৰিলে।

কি আচৰিত কথা আজি পৰ্যন্ত সমাধিস্থলত তেখেতৰ গুণমুগ্ধই আৱৰি ৰাখিছে। ধূপ-চাকিৰে তেখেতৰ সমাধীস্থল, পূণ্যভূমিলৈ ৰূপান্তৰিত হ'ল। যিজন মানুহে জীৱিত কালত নিজৰ সুখ শান্তি ঐশ্চৰ্য বিভূতিৰ কথা নাভাবি দুখীয়া নিচলাক সংগ দিছিল সেইজন মহান ব্যক্তি ঈশ্বৰৰে এক অংশ বুলি প্ৰমাণ হৈ গ'ল।

সেই মহান ব্যক্তি গৰাকীৰ মৃত্যুৰো খ্যাতি ৰাখিলে পৃথিৱীৰ ভিতৰত চতুৰ্থতম জনসমাৱেশে। গুগলে হামিং কিং উপাধি দি গ'ল আমাক শিকাই গ'ল অতি বেছি সহজ সৰল শিশু সুলভ অতিকে বিশ্বাসী শিল্পীগৰাকীৰ সংগীবোৰে কৰা দানৱীয় কাৰ্যৰ কথা। এইবোৰ দেখাৰ পাছতো কিহক লৈ আমিবোৰে অহংকাৰ কৰো কিয়েই বা প্ৰয়োজন টকা-পইচা, ধনী দুখীয়া, জাত-পাত এৰি সকলো ধৰ্মাৱলম্বী লোক এক হৈ এখন সোণৰ অসম গঢ়িব নোৱাৰি নে? জুবিন দাই ভবাৰ দৰে সেই অসমখন আমি গঢ়িব নোৱাৰো নে?

গুৱাহাটি বিশ্ববিদ্যালয়ত আমি যুৱ মহোৎসৱৰ অনুষ্ঠানত ভাগ ল'বলৈ গৈছিলো। সেই অনুষ্ঠান এসপ্তাহ ধৰি চলিছিল তেতিয়াই বঁটা বিতৰণী সভাৰ দিনা সাংস্কৃতি অনুষ্ঠানটি চোৱাৰ হেঁপাহ জাগিছিল। আমি সাতজনী ছোৱালী আৰু দলটোৰ ল'ৰাখিনি মিলি গোটেই কেইজনে শুৱালকুছি কলেজৰ ৰাজনীতি বিভাগৰ অধ্যাপক যোগেশ ডেকা ছাৰৰ তত্ত্বাৱধানত বিশ্ববিদ্যালয়ত অনুষ্ঠান পৰিৱেশন কৰিব গৈছিলোঁ। আমি আটাইকেজনে সেই দিনাৰ সাংস্কৃতিক সন্ধিয়া চোৱাৰ হেঁপাহ জগিল। সেয়েহে ছাৰক সেইদিনাও আমি থাকিবলৈ অনুৰোধ কৰিলোঁ। আমাৰ অনুৰোধ ৰাখি ছাৰে সেই দিয়াও আমাক থকাৰ অনুমতি দিলে।

সেই অনুষ্ঠানৰ সাংস্কৃতিক সন্ধিয়াৰ বিশেষ আকৰ্ষণ আছিল 'জুবিন গাৰ্গ'। তেওঁৰ গীতবোৰ তেতিয়া নতুনকৈ প্ৰচলন হৈছিলহে। সেয়ে 'জুবিন' নামৰ শিল্পীজনক চাক্ষুসভাৱে চোৱাৰ হেঁপাহতে বৈ দিলো। আটাইকেইজনী গধুলি অনুষ্ঠান চাবলৈ আমি অদিতৰিয়ামলৈ গৈ থকাৰ সময়তে দীঘল চুলিৰ পিঠিত গীতাৰখন লৈ সাত-আঠ জনমান ল'ৰা ওচৰেৰে পাৰ হৈ গ'ল। আমাৰ মাজৰে কোনোবা এজনীয়ে চিঞৰি উঠিল 'জুবিন' আমাৰ ওচৰেৰে লাইন পাতি সাত-আঠজন ল'ৰাৰ মাজত পিঠিত গীতাৰ লৈ যোৱা দীঘল চুলিৰ মৰম লগা ল'ৰাটো কেতিয়া যে সাউত কৈ পাৰ হৈ গ'ল আমি সকলো তধা লাগি চায় থাকিলোঁ সেয়াই আৰম্ভণি।

তাৰ পিছত আমাৰ গাঁৱত বহুতবাৰ তেখেতৰ অনুষ্ঠান উপভোগ কৰিলোঁ। বেছি বছৰৰ কথা নহয় এবাৰ তেখেতৰ অনুষ্ঠানৰ দিনাই ধাৰাসাৰে বৰষুণ আহিল তথাপি হাতত ছাতি লৈ অগণন গুণমুগ্ধই তেওঁৰ অনুষ্ঠান উপভোগ কৰিলে। ৰ'দ বৰষুণ একোৱেই যেন তেওঁৰ গুণমুগ্ধক ৰখাব নোৱাৰে এয়াই আছিল আমাৰ আদৰৰ শিল্পীজনৰ সত্বা। মই খাৰঘুলিত থাকোতেও বহুদিন তেখেতৰ ঘৰৰ পৰা উলটি আহিছিলোঁ। তেখেতক লগ নোপোৱাৰ দুখ এটাই বৰকৈ আমনি কৰিছিল। মনৰ সপোন মনতে ৰ'ল।

আমি জুবিনদাৰ শোকত ম্ৰিয়মান হৈ আছো। পিছলৈ যাতে তেখেতৰ সৃষ্টিক সুৰক্ষিত কৰি তেওঁ যিমানখিনি আমাক দিলে সকলোখিনি চিৰস্থায়ী কৰি ৰাখি ভৱিষ্যত প্ৰজন্মৰ আগত উলিয়াই দিব পাৰা কৈ সুৰক্ষিত কৰি ৰাখিব লাগিব। উচ্চ স্তৰত কিছুমান বিজতৰীয়া গীত দি কিছুমান অদ্ভূত ভংগীমাৰে নৃত্য কৰি আমাৰ সংস্কৃতিক বিজতৰিয়া নকৰোঁ বুলি অংগীকাৰ কৰিলেহে আমাৰ হিয়াৰ আমঠু জুবিন দাৰ লগতে আমাৰ সংস্কৃতিৰ স্ৰষ্টাসকল জীয়াই থাকিব বুলি বিশ্বাস কৰো। নহ'লে তেখেতৰ আত্মাই বৰ কষ্ট পাব।

# 'মায়াবিনী ৰাতিৰ বুকুত' গীতটোৰেই হ'ব অসমীয়া জাতিক বান্ধি ৰাখিব পৰা অন্যতম ডোল ঃ প্ৰধান সম্পাদক দেৱজিৎ বৰা

সম্ভাৱনাপূৰ্ণ সন্তান, ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা প্ৰকাশৰ সুবিধা পাব। পশ্চিম গোলাঘাট শাখা সাহিত্য সভাই ব্যাপক কৰ্মসূচীৰ লগতে এনে গ্ৰন্থমেলা আয়োজন কৰি সমগ্ৰ ৰাজ্যখনতে এক আদৰ্শ দেখুওৱাই নহয়,অসম সাহিত্য সভাৰ হাত শক্তিশালী কৰা বুলি মন্তব্য কৰে। পশ্চিম গোলাঘাট শাখা সাহিত্য সভাৰ সম্পাদক স্বাগতা বৰাই আঁতধৰা অনুষ্ঠানত নুমলীগড় শোধনাগাৰৰ মানৱ সম্পদ বিভাগৰ মহাপ্ৰৱন্ধক মিণ্টু সন্দিকৈয়ে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে গোলাঘাট জিলাৰ বিদ্যালয় সমূহৰ পৰিদৰ্শক তথা জিলা প্ৰাথমিক বিষয়া হেমগিৰি নৰহে। অনুষ্ঠানত গ্ৰন্থমেলা উদ্‌যাপন সমিতিৰ সভাপতি দিগন্ত কুমাৰ ভূঞা, পশ্চিম গোলাঘাট শাখা সাহিত্য সভাৰ সভাপতি ড° পুতুল চন্দ্ৰ শইকীয়া, উদ্‌যাপন সমিতিৰ সাধাৰণ সম্পাদক তনুজ কুমাৰ মহন্ত, অসম সাহিত্য সভাৰ প্ৰচাৰ আহ্বায়ক শংকুসিদ্ধ নাথ, পৰিৱেশ্য কলা সংৰক্ষণ আৰু সংবৰ্ধন উপ-সমিতিৰ আহ্বায়ক চৈয়দ মাৰুফ হুছেইন, গোলাঘাট জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি পৱিত্ৰ বৰবৰা, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ গোলাঘাট জিলা শাখাৰ সম্পাদক পৱিত্ৰ নাথ, লোক সংগীতৰ বিশিষ্ট শিল্পী ৰুমী শইকীয়া, প্ৰাক্তন ছাত্ৰ নেতা যতীন বৰা, সদৌ টাই আহোম ছাত্ৰ সন্থাৰ মুখ্য সাংগঠনিক সম্পাদক কৃষ্ণ বৰুৱা, টাই আহোম ছাত্ৰ সন্থাৰ জিলা সভাপতি পংকজ গগৈ, সাধাৰণ সম্পাদকদ্বয় অংকুৰ কোঁৱৰ, ভাস্কৰজ্যোতি ফুকন, কেন্দ্ৰীয় সমিতিৰ প্ৰচাৰ সম্পাদক গৌতম লাহন, জাতীয় সংগ্ৰামী সদৌ অসমৰ কেন্দ্ৰীয় সম্পাদক মানৱ গগৈ আদিয়ে বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। অনুষ্ঠানত সংগীত, অভিনয়, কলাৰ ৰাজ্যিক - ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিভা মৰিগাঁৱৰ প্ৰিয়দৰ্শন ডেকাই ভাগৱত বাখ্যা, জুবিনৰ গীত, বক্তৃতাৰে সমৱেত হাজাৰ-হাজাৰ শিশু আৰু ৰাইজক মন্ত্ৰমুগ্ধ কৰিবলৈ সক্ষম হয়। শুভ উদ্বোধনী অনুষ্ঠানৰ আৰম্ভণিতে গান্ধৰ্ব্য সংগীত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সমৱেত সংগীত আৰু ট্ৰিনিটি আৰ্ট মিউজিক একাডেমীৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা জুবিন গাৰ্গৰ গীতৰ সুৰ সমলয়ে পৰিৱেশ মুখৰিত কৰি তোলে। পুৱা ভাগত গোলাঘাট প্ৰেছ ক্লাবৰ উদ্যোগত আয়োজিত সদৌ অসম প্ৰাইজমানি মেগা চিত্ৰাংকণ প্ৰতিযোগিতাত অসমৰ বিভিন্ন ঠাইৰ সহস্ৰাধিক ছাত্ৰ-ছাত্ৰীৰ বিপুল অংশগ্ৰহণে গ্ৰন্থমেলা বাকৰিত অনন্য পৰিৱেশৰ উন্মেষ ঘটায়। চিত্ৰাংকণ প্ৰতিযোগিতা উদ্বোধন কৰে গোলাঘাট জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক চিৰঞ্জীৱ বৰাই। প্ৰেছ ক্লাবৰ সাধাৰণ সম্পাদক প্ৰবীণ কুমাৰ দাসে আঁত ধৰা অনুষ্ঠানত প্ৰেছ ক্লাবৰ সভাপতি,অধ্যাপক ড° দেৱজিৎ ফুকন, উদ্‌যাপন সমিতিৰ বিত্ত সম্পাদক মনোজ বৰুৱা, বিষয়ববীয়া দিলীপ শইকীয়া আদি উপস্থিত থাকে। শিশুৰ দিন উপলক্ষে গ্ৰন্থমেলা বাকৰিত জাতীয় সংগ্ৰামী সেনা, অসম গোলাঘাট জিলা সমিতিৰ উদ্যোগত সদৌ অসম ভিত্তিত নিৰ্বাচিত কবিতাৰ আবৃত্তি প্ৰতিযোগিতা, সদৌ অসম টাই আহোম ছাত্ৰ সন্থা, গোলাঘাট জিলা সমিতিৰ উদ্যোগত আকস্মিক বক্তৃতা প্ৰতিযোগিতা, সদৌ অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, গোলাঘাট জিলা সমিতিৰ উদ্যোগত অসম ভিত্তিত মুকলি কুইজ প্ৰতিযোগিতা, সদৌ অসম চুতীয়া যুৱ পৰিষদ, অসম গোলাঘাট জিলা সমিতিৰ উদ্যোগত ছাত্ৰ-ছাত্ৰীৰ মাজত সাধু কোৱা প্ৰতিযোগিতা, সদৌ অসম কোচ ৰাজবংশী যুৱ-ছাত্ৰ সন্মিলনী, গোলাঘাট জিলা সমিতিৰ উদ্যোগত সদৌ অসম প্ৰাইজমানি থলিতে লিখা ৰচনা প্ৰতিযোগিতা আদি অনুষ্ঠিত হয়। সন্ধিয়া কোচ ৰাজবংশী যুৱ-ছাত্ৰ সন্মিলনী, গোলাঘাট জিলা সমিতিৰ উদ্যোগত জুবিন গাৰ্গ সোঁৱৰণী বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়।

# বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীৰ উপস্থিতিত বিটিআৰত

লাভ কৰা আৱেদনৰ সংখ্যা আদিকে ধৰি বিভিন্ন বিষয়ৰ মুখ্যমন্ত্ৰীয়ে বুজ লয়। মুখ্যমন্ত্ৰীয়ে বৈঠকত অসম মালা ১.০ আৰু অসম মালা ২.০ ৰ অধীনৰ প্ৰকল্পসমূহৰ অগ্ৰগতিৰ খতিয়ান লয়। অসম মালা ৩.০ ৰ অধীনত বিটিআৰৰ অধীনস্থ জিলাসমূহৰ বাবে লোকনিৰ্মাণ বিভাগৰ দ্বাৰা প্ৰস্তাৱিত প্ৰকল্পসমূহৰ বিষয়েও আলোচনা কৰা হয়। তেনেদৰে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত বিটিআৰত নিৰ্ধাৰিত লক্ষ্যৰ বিপৰীতে গৃহ নিৰ্মাণৰ অগ্ৰগতি, এম জি এনৰেগাৰ জৰিয়তে বিটিআৰত জিলাভিত্তিক জব কাৰ্ড প্ৰদান, বিটিআৰৰ অধীনস্থ চাহ বাগিচাসমূহত নিয়োগ সৃষ্টি সন্দৰ্ভত সংশ্লিষ্ট বিভাগসমূহে তথ্যসমূহ দাঙি ধৰে। অঞ্চলটোৰ দ্ৰুত উন্নয়নৰ অৰ্থে খালী হৈ থকা বিভিন্ন পদ পূৰণকে ধৰি বিভিন্ন বিষয় সন্দৰ্ভত বৈঠকত বিটিচিৰ তৰফৰ পৰাও এক পাৱাৰ পইণ্ট প্ৰেজেণ্টেশ্যন দাঙি ধৰা হয়। বৈঠকত মুখ্যমন্ত্ৰীয়ে বিটিআৰৰ বিকাশ আৰু উত্তৰণৰ গতি যাতে ত্বৰান্বিত হয় আৰু অঞ্চলবাসীয়ে যাতে বিভিন্ন আঁচনিৰ সুফলসমূহ লাভ কৰিব পাৰে সেই দিশত কাম-কাজসমূহ দ্ৰুত গতিত ৰূপায়ণ কৰিবলৈ জিলা আয়ুক্তসকলক নিৰ্দেশ প্ৰদান কৰে। বৈঠকত পৰিৱেশ আৰু বন আদি বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা আদি বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, বিত্ত আদি বিভাগৰ মন্ত্ৰী অজন্তা নেওগ, সমবায় আদি বিভাগৰ মন্ত্ৰী যোগেন মহন, জলসম্পদ আদি বিভাগৰ মন্ত্ৰী পীযুষ হাজৰীকা, জনস্বাস্থ্য কাৰিকৰী আদি বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, ক্ৰীড়া আৰু যুৱ কল্যাণ আদি বিভাগৰ মন্ত্ৰী নন্দিতা গাৰ্লোছা, পৰিবহণ আদি বিভাগৰ মন্ত্ৰী চৰণ বড়োৰ উপৰি কেইবাগৰাকী বিধায়ক আৰু মুখ্য সচিব ড° ৰবি কোটা, আৰক্ষী সঞ্চালকপ্ৰধান হৰমীত সিঙকে ধৰি কেইবাগৰাকীও শীৰ্ষ বিষয়া উপস্থিত থাকে।

# কদম শাখা সাহিত্য সভাৰ উদ্যোগত ড° বসন্ত কুমাৰ গোস্বামীৰে অন্তৰংগ

বন্তি-প্ৰজ্বলন কৰে পুষ্পধৰ সোণোৱালে, পতাকা উত্তোলন কৰে আজীৱন সদস্য ব্ৰজেন গগৈয়ে। বিতু গগৈয়ে আঁত ধৰা আৰু জিলা সাহিত্য সভাৰ সভাপতি সঞ্জীৱ উপাধ্যায়ে সঞ্চালকৰ আসন গ্ৰহণ কৰা সভাৰ মুখ্য অতিথি তথা অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে সভাত গ্ৰহণ কৰা বিভিন্ন কাৰ্যক্ৰমণিকাৰ বিষয়ে বক্তব্য ৰাখে। অন্তৰঙ্গ আলাপ অনুষ্ঠানতো বিভিন্ন শাখাৰ পৰা অহা সভাপতি-সম্পাদক তথা-প্ৰতিনিধিবৰ্গৰ বিভিন্ন প্ৰশ্নৰ উত্তৰ প্ৰদান কৰে। কদম শাখাৰ তৰফৰ পৰা বঁটা প্ৰদান কৰে ঔপন্যাসিক মানিক চন্দ্ৰ সোনোৱাল, অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি ড° হেমন্ত কুমাৰ বৰুৱা, শিক্ষাবিদ গিৰীশ ভূঞা, লেখক তিলেন গগৈ, বিনীতা চৌধুৰী গাৰোদিয়া, তোলন চন্দ্ৰ দত্ত আদিক। উক্ত অনুষ্ঠানত কুলধৰ কোঁৱৰৰ সম্পাদনাত শাখাৰ পত্ৰিকা আৰু যমুনা চেতিয়া গগৈৰ কবিতা পুথি উন্মোচন কৰা হয়। অন্যান্য কেইবাটিও বঁটা প্ৰদান কৰা সভাত উপস্থিত থাকে অসম সাহিত্য সভাৰ পত্ৰিকা সম্পাদক ড° অৰবিন্দ ৰাজখোৱা, লুম্মেৰ দাই অধ্যয়ণ আৰু গৱেষণা কেন্দ্ৰৰ উপ-সমিতিৰ আহ্বায়ক ড° বিনোদ কুমাৰ গগৈ, আকাশ উপ-সমিতিৰ আহ্বায়িকা মানসী শইকীয়া, কোষাধ্যক্ষ মণিৰাম লাহন, দীপক ভৰালী, জিলা সাহিত্য সভাৰ সম্পাদক প্ৰবীন হাজৰিকা, চন্দ্ৰ প্ৰভা গগৈ, প্ৰাক্তন সম্পাদক নৱ কমল বৰা, ঔপন্যাসিক হিমাশ্ৰী বায়ন দত্ত, প্ৰেমধৰ গগৈ, শোভন কাকতি, দুলাল দিহিঙীয়া, নন্দিনী গগৈ, মৃণাল বৰগোহাঁই, ৰশ্মিৰেখা গোস্বামী, বিতোপন গগৈ আদি। ৰাতিলৈ জুবিন গাৰ্গৰ স্মৃতিত সাংস্কৃতিক অনুষ্ঠান সম্পন্ন হয়।

# নগাঁৱত ভাৰতীয় মনোৰোগ সংঘৰ অধীনত অসম ৰাজ্যিক শাখাৰ ৩৫ সংখ্যক অধিবেশনৰ সফল সামৰণি

**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁও চহৰৰ কিছু নিলগৰ বৰঘাট বাইপাছ চকৰ লগতে থকা ৰিফেছক্ৰ হোটেলত অলপতে ভাৰতীয় মনোবিজ্ঞান সংঘৰ অধীনত অসম ৰাজ্যিক শাখাই তিনিদিনীয়াকৈ অনুষ্ঠিত হোৱা ৩৫ সংখ্যক বাৰ্ষিক অধিৱেশন সফলতাৰে অনুষ্ঠিত হৈ যায়। অনুষ্ঠানটিৰ অয়োজক অধ্যক্ষৰ দায়িত্বত থকা তথা স্নায়ু আৰু মানসিক ৰোগ বিশেষজ্ঞ ডাঃ অজিত গোস্বামীয়ে জানিবলৈ দিয়া মতে- অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ বহু সংখ্যক মানসিক ৰোগৰ চিকিৎসকসকল উপস্থিত থাকি অনাগত দিনসমূহত মানসিক ৰোগৰ চিকিৎসাসমূহ কেনেকৈ আৰু অধিক উন্নতকৰণ কৰিব পৰা যায়। কেনেকৈ মানসিক ৰোগ নিৰাময় কৰিবৰ বাবে নতুন ঔষধ ৰোগীসকলক সেৱন কৰিবলৈ পৰামৰ্শ দিব পৰা যায় তাৰ ওপৰত আলোচনা কৰা হয়। অনুষ্ঠানত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় ডিব্ৰুগড় চিকিৎসা মহাবিদ্যালয়, কলিকতা আৰু দিল্লী গংগাৰাম হস্পিতালৰ পৰা অহা চিকিৎসক সকলে মানসিক আৰু মনোবিজ্ঞানৰ ওপৰত বহুখিনি গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। অনুষ্ঠানৰ শেষৰ দিনাখন দিনৰ ১ বজাৰ পৰা বৰ্তমান সময়ত শিশুসকলৰ ওপৰত সঘনাই চলি অহা মানসিক, শাৰীৰিক আৰু যৌন নিৰ্যাতন ৰোধ কৰাক লৈ আৰু পকছো (POSCO) আইনৰ ওপৰতো বহুখিনি গুৰুত্বপূৰ্ণ আলাপ - আলোচনা কৰা হয়। সভাতেই অসমৰ শিশু সুৰক্ষা আৰু অধিকাৰী বিভাগৰ অৱসপ্ৰাপ্ত সদস্য ডাঃ পিলু হাজৰিকা উপস্থিত থাকি আগবঢ়োৱা সাৰুৱা ভাষনত চিকিৎসক, সমাজকৰ্মী আৰু স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীসকলৰ বহু উপকৃত হ'ব বুলি আয়োজক সমিতিয়ে জানিবলৈ দিয়ে। উল্লেখ্য যে সভাত গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ডাঃ দ্বীপেশ ভাগৱতী, যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ অধ্যাপক ডাঃ কমলা ডেকা, অসম আৰক্ষী বিভাগৰ আয়ুক্ত সচিব দিগন্ত বৰা, নগাঁৱৰ জ্যেষ্ঠ অধিবক্তা আবুল হাছেম খণ্ডকাৰৰ লগতে নগাঁৱৰ ভালেসংখ্যক গণ্যমান্য ব্যক্তিসকল উপস্থিত থাকে।

অসম চৰকাৰ

# শ্ৰদ্ধাঞ্জলি আঁচনি

**বহিঃৰাজ্যত মৃত্যু হোৱা অসমৰ ব্যক্তিৰ নশ্বৰ দেহ মৰ্যাদা সহকাৰে স্বগৃহলৈ অনাৰ পদক্ষেপ**

আঁচনিখনৰ সবিশেষ
সেৱা সেতু
প'ৰ্টেলত উপলব্ধ



## বৈশিষ্ট্যসমূহ

- বহিঃৰাজ্যত বিশেষ পৰিস্থিতিত মৃত্যু হোৱা অসমৰ স্থায়ী বাসিন্দাৰ ক্ষেত্ৰত এই আঁচনি প্ৰযোজ্য হ'ব
- আৰ্থিকভাৱে সবল শ্ৰেণী বা নিজাববীয়াকৈ ব্যৱস্থা কৰিব পৰা লোকৰ ক্ষেত্ৰত এই আঁচনি প্ৰযোজ্য নহ'ব
- চিকিৎসাৰ বাবে বহিঃৰাজ্যলৈ যোৱা ৰোগীসকলক এই আঁচনিত সামৰি লোৱা নহ'ব
- আঁচনিখন ৰূপায়ণত গৃহ আৰু ৰাজনৈতিক বিভাগৰ তত্ত্বাৱধানত অসম আৰক্ষীয়ে সমন্বয় ৰক্ষা কৰিব

## আৰক্ষীৰ সৈতে যোগাযোগ কৰিবলৈ-

৯১৮১০-১৪৮৮৮
১১২
০৩৬১-২৩৮১৫১১

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

Connect with us @diprassam dipr.assam.gov.in

অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি ৱাটছএপ কৰক

Janasanyog RO no 2762/25/31-October-25

# বংশৰৰ বিশিষ্ট সমাজকৰ্মী প্ৰয়াত গৌতম বৈশ্যৰ বাসগৃহত মুখ্যমন্ত্ৰী ড° শৰ্মা

## বৈশ্যৰ মৃত্যুত শোক প্ৰকাশ কৰি আত্মাৰ চিৰশান্তি কামনা



**ৰমেন ভৰালী, বংশৰ ঃ** কামৰূপ জিলাৰ বৃহত্তৰ বংশৰ অঞ্চলৰ সমাজকৰ্মী, বিজেপি দলৰ সক্ৰিয় কাৰ্যকৰ্তা, ৮৭ নং বংশৰ গাঁও পঞ্চায়তৰ প্ৰাক্তন আঞ্চলিক সদস্য গৌতম বৈশ্য (৬৩)ৰ এক উচ্চৰক্তাচাপত পথ দুৰ্ঘটনাত গুৰুতৰভাৱে আহত হৈ দীৰ্ঘদিন চিকিৎসাধীন হৈ অনাকাংক্ষিতভাৱে যোৱা ১৩ অক্টোবৰত মৃত্যু হোৱাত গৌতম বৈশ্যৰ মৃত্যুৰ সমবেদনা জনাবলৈ যোৱা ২৬ অক্টোবৰৰ সন্ধিয়া ৭.৩০ বজাত সমাজ হিতৈষী প্ৰয়াত গৌতম বৈশ্যৰ বংশৰস্থিত বাসভৱনত উপস্থিত হয় অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। মুখ্যমন্ত্ৰীগৰাকীৰ ঘনিষ্ঠ বন্ধু তথা দলীয় নেতা প্ৰয়াত গৌতম বৈশ্যৰ বাসগৃহত প্ৰৱেশ কৰি প্ৰথমে তেওঁৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰে। পিছত প্ৰয়াত গৌতম বৈশ্যৰ পত্নী মঞ্জু বৈশ্য, দুগৰাকী জীয়ৰী আৰু পৰিয়ালৰ আত্মীয়ৰ লগত কিছু সময় বাৰ্তালাপ কৰে আৰু গৌতম বৈশ্যৰ মৃত্যুৰ কাৰণ সম্পৰ্কে সকলো কথা জানিব বিচাৰাৰ লগতে পৰিয়ালৰ দুখৰ সমভাগী হয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গৌতম বৈশ্যৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোক সন্তপ্ত পৰিয়াল বৰ্গলৈ গভীৰ সমবেদনা জনায়। প্ৰয়াত গৌতম বৈশ্যৰ পৰিয়ালৰ লগত সদায় থাকিব বুলি আশ্বাস প্ৰদান কৰে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগত কামৰূপ জিলা আয়ুক্ত দেৱকুমাৰ মিশ্ৰ আৰু মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰীও উপস্থিত থাকে।

# নগাঁৱত পহিলা নৱেম্বৰত অভিনৱ চিন্তাৰে ‘গজল সন্ধ্যা’ৰ আয়োজন

**জয়ন্ত মুদৈ, নগাঁও ঃ** অতীজৰে পৰা সাংস্কৃতিক ক্ষেত্ৰখনত সংগীতে এক বিশেষ স্থান অধিকাৰ কৰি আছে। অৱশ্যে সময়ৰ পৰিৱৰ্তনৰ লগে লগে বৰ্তমান সংগীত ক্ষেত্ৰখনলৈও বহুখিনি পৰিৱৰ্তন আহি পৰিছে। পিছে সংগীতৰ ক্ষেত্ৰখনত যিমানেই পৰিৱৰ্তন নাহক লাগে ‘গজল’ৰ এক সুকীয়া মাদকতা আছে। ইয়াৰ মধুৰ সুৰ আৰু কথাই প্ৰতিজন সংগীতপ্ৰেমীক অনন্য সোৱাদ দিবলৈ সক্ষম হয়। কিন্তু বৰ্তমান সময়ত এই গজলৰ চৰ্চা কম পৰিমাণেহে হোৱা দেখা যায়। সেয়ে নৱ প্ৰজন্মৰ মাজত গজলৰ প্ৰসাৰৰ লগতে ইয়াৰ প্ৰতি আগ্ৰহী কৰি তোলাৰ লক্ষ্যৰে বিগত বৰ্ষৰ দৰে এইবেলিও অহা পহিলা নৱেম্বৰত নগাঁও ছোৱালী মহাবিদ্যালয়ত মাসাগৰিনাৰ উদ্যোগত তথা সোণাইপৰীয়া শাখা কবি সন্মিলন আৰু সোণাইপৰীয়া শিল্পী মঞ্চৰ যৌথ সৌজন্যত এটি ‘গজল সন্ধ্যা’ৰ আয়োজন কৰা হৈছে। নগাঁও ছোৱালী মহাবিদ্যালয়, সুনীল শইকীয়া সংগীত মহাবিদ্যালয়, ষ্টাৰলেব ডায়েগ্ন’ষ্টিক আৰু ডুগডুগীৰ সক্ৰিয় সহযোগিতাত অনুষ্ঠিত হ’বলগীয়া এই ‘গজল সন্ধ্যা’টি সেই দিনা সন্ধিয়া ৬ বজাৰ পৰা আৰম্ভ হ’ব। এক অভিনৱ চিন্তা আৰু পৰিকল্পনাৰে আয়োজন কৰা এই ‘গজল সন্ধ্যা’ত ৰাজ্যৰ কেইবাজনো নবীন-প্ৰবীন কণ্ঠশিল্পীয়ে কণ্ঠ নিগৰোৱাৰ লগতে আন বহুকেইগৰাকী নিপুন বাদ্যশিল্পীয়ে বাদ্য সংগত কৰিব বুলি উদ্যোক্তা সমিতিৰ হৈ সঞ্জীৱ সাগৰ চৌধুৰীয়ে জানিবলৈ দি সকলো সংগীতপ্ৰেমী লোকক উক্ত দিনা নিৰ্ধাৰিত সময়ত উপস্থিত থাকি অনুষ্ঠানটি সাফল্যমণ্ডিত কৰি তুলিবলৈ অনুৰোধ জনাইছে।








# লক্ষ্য আমাৰ পথাৰ, লক্ষ্য আমাৰ বজাৰৰ কামৰূপ জিলা কৃষি বিভাগৰ উদ্যোগত

## সমূহীয়া কৃষি প্ৰকল্পৰ টেক্টৰ আৰু কৃষি সজুঁলি বিতৰণ আৰু আলু ৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভ



**ৰমেন ভৰালী, বংশৰ ঃ** কামৰূপ জিলা কৃষি বিভাগৰ উদ্যোগত ভাৰতীয় জনতা পাৰ্টি কৃষক মৰ্চা অসম প্ৰদেশৰ সহযোগত আৰু লখিমী কৃষি গোটৰ প্ৰচেষ্টাত যোৱা ২৫ অক্টোবৰত কামৰূপ জিলাৰ পাকৰকোণা অঞ্চলত এটি সমূহীয়া কৃষি প্ৰকল্পৰ টেক্টৰ আৰু কৃষি সজুঁলি বিতৰণ আৰু আলু ৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। কামৰূপ জিলা কৃষি বিভাগৰ পৰা কৃষক নেতা ৰঞ্জিত ভট্টাচাৰ্যই প্ৰথম পৰ্যায়ত লখিমী কৃষি গোটলৈ টেক্টৰ আৰু পাকৰকোণা অঞ্চলৰ স্থানীয় কৃষক ৰাইজক কীটনাশক স্প্ৰে মেচিনৰ লগতে বিভিন্ন সামগ্ৰী বিতৰণ কৰে। অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সবল নেতৃত্বত অসমৰ কৃষকে সফলতাৰ জখলা বগাবলৈ সক্ষম হ’ব বুলি আমি আশাবাদী বুলি কয় কৃষক নেতা ৰঞ্জিত ভট্টাচাৰ্যই। এই কৃষি প্ৰকল্পৰ শুভাৰম্ভ অনুষ্ঠানত উপস্থিত থাকে ভাৰতীয় জনতা পাৰ্টি কৃষক মৰ্চাৰ অসম প্ৰদেশৰ ৰাজ্যিক সাধাৰণ সম্পাদক ৰঞ্জিত ভট্টাচাৰ্য্য, সঞ্জীৱ বড়া, কামৰূপ জিলা কৃষি বিভাগৰ কৃষি বিষয়া মানৱজ্যোতি দাস, কামৰূপ জিলাৰ জ্যেষ্ঠ কৃষি বিষয়া জ্যোতিপ্ৰসাদ দাস, কৃষি উন্নয়ন বিষয়া ভাস্বতী শৰ্মা, কৃষক মৰ্চাৰ ৰাজ্যিক বিষয়া হৃষিকেশ কলিতা, উত্তৰ কামৰূপ জিলাৰ কৃষক মৰ্চাৰ জিলা সভাপতি মাধৱ বৰা, পেপছিক ব্যক্তিগত উদ্যোগৰ বিষয়া মৌচুমী ভট্টাচাৰ্য, স্থানীয় গাওঁ প্ৰধান দেবেন ডেকা, লক্ষমী কৃষি গোটৰ বিষয়ববীয়া সোণতি কলিতা আৰু হৰকুমাৰ কলিতা লগতে আন আন কৃষক ৰাইজ আৰু স্থানীয় যুৱ বন্ধুসকল।






# নগাঁৱৰ চন্দ্ৰজ্যোতি সংঘৰ উদ্যোগত ড° ভূপেন হাজৰিকাৰ গীতৰ প্ৰতিযোগিতাৰ আয়োজন

**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁৱৰ অন্যতম সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠান চন্দ্ৰজ্যোতি সংঘৰ উদ্যোগত বিগত বৰ্ষসমূহৰ দৰে এইবাৰো সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ গীতৰ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। নগাঁও চহৰৰ আমোলাপট্টীস্থ নগাঁও নাট্য মন্দিৰত ৯ নৱেম্বৰত পুৱা ৯ বজাৰ পৰা এই প্ৰতিযোগিতা অনুষ্ঠিত হ’ব। প্ৰতিযোগিতা ‘ক’ আৰু ‘খ’ এই দুটা শাখাত অনুষ্ঠিত হ’ব। ‘ক’ শাখাত ৬ বছৰৰ পৰা ১৩ বছৰ বয়সৰ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিব পাৰিব আৰু এই শাখাৰ ভৰ্তি মাছুল ৩০০ টকা। এই শাখাৰ প্ৰথম পুৰস্কাৰ ৫ হাজাৰ টকা, দ্বিতীয় পুৰস্কাৰ ৩ হাজাৰ টকা আৰু তৃতীয় পুৰস্কাৰ ২ হাজাৰ টকা, লগত থাকিব স্মাৰক আৰু মানপত্ৰ। ‘খ’ শাখাত ১৪ বছৰৰ পৰা ওপৰ বয়সৰ সকলোৰে বাবে এই প্ৰতিযোগিতা মুকলিকৈ থাকিব। এই শাখাৰ ভৰ্তি মাছুল ৪০০ টকা। এই শাখাৰ প্ৰথম, দ্বিতীয়, তৃতীয় পুৰস্কাৰ ক্ৰমে ১০ হাজাৰ টকা, ৭ হাজাৰ টকা আৰু ৫ হাজাৰ টকা। লগত থাকিব স্মাৰক আৰু মানপত্ৰ। প্ৰতিযোগিতা পৰিচালনা সমিতিৰ সভাপতি গিৰীন্দ্ৰ কুমাৰ বৰুৱা, উপ-সভাপতি নিলমণি কটকী, সঞ্জয় বৰুৱা, সংযোজক শান্তনু সভাপণ্ডিত, গৌতম বৰকটকী, স্নেহাংশু গোস্বামী, প্ৰিয়াংকু শৰ্মা আৰু সম্পাদক বিশ্বদেৱ শৰ্মাই প্ৰতিযোগিতাখন সফল কৰি তুলিবলৈ সংশ্লিষ্ট সকলোকে আহ্বান জনাইছে। ইচ্ছুক প্ৰতিযোগীসকলক সঞ্জিল এণ্টাৰপ্ৰাইজ প্ৰতাপ শৰ্মা পথ, আমোলাপট্টী, নগাঁও ৯৮৬৪১-৬৩৯০০ নম্বৰত যোগাযোগ কৰিবলৈ উদ্যোক্তাসকলে অনুৰোধ জনাইছে।

স্বত্বাধিকাৰ প্ৰণতি বৰাৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত কুণ্ডিলনগৰ, হিড়িম্বাপুৰ পথ, ওদালবাক্ৰা, গুৱাহাটী-৩৪ৰ পৰা প্ৰকাশিত, অমৰজ্যোতি প্ৰিণ্টাৰ্চ (কমাৰ্চ কলেজৰ বিপৰীতফালে), গুৱাহাটী-৭৮১০৩৩ ত মুদ্ৰিত।
Owner, publisher & Printer Pranati Bora, Published from Kundil Nagar, Hirimbapur Path, Odalbakra, Guwahati-781034 &
Printed at Amarjyoti Printers (Opposite Commerce College), Guwahati- 781003, Editor : Pranati Bora
Website = https://www.asompravah.com/, E-mail : asompravah004@gmail.com, Mob : 70025-92810,
সহকাৰী কাৰ্যবাহী সম্পাদক ঃ পংকজ শইকীয়া
সম্পাদক ঃ প্ৰণতি বৰা